৭ম বর্ষ, চতুর্থ সংখ্যা

নিউ ইণ্ডিয়া সমাচাৰ

১৬-৩১ আগষ্ট, ২০২৬
বিনামূলীয়া বিতৰণৰ বাবে

আমাক অনুসৰণ কৰক @NISPIBIndia

জন-ধনৰ পৰা জন-গণ-মনলৈ

নাৰী সবলীকৰণৰ পৰা আৰম্ভ কৰি ডিবিটিলৈকে, আৰু বেংকিং-বীমা-পেঞ্চন নিৰাপত্তাৰ পৰা আৰম্ভ কৰি ডিজিটেল পেমেণ্ট বিপ্লৱলৈকে- ১২ বছৰীয়া এই যাত্ৰাত জন ধন যোজনাৰ বহুমাত্ৰিক প্ৰভাৱে 'জন' (জনসাধাৰণ)ক 'জন-গণ-মন'ৰ সৈতে অৰ্থাৎ জাতীয় চেতনা আৰু মৰ্যাদাৰ সৈতে সংযুক্ত কৰিছে।

ভাৰতীয় প্ৰতিৰক্ষা খণ্ডত বৃদ্ধি পোৱা বিশ্বব্যাপী আস্থা

'মন কী বাত' অনুষ্ঠানত দেশবাসীক গৌৰৱান্বিত কৰা বিভিন্ন উল্লেখযোগ্য সাফল্যৰ ওপৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আলোকপাত কৰিছে। কাৰ্গিল বিজয় দিৱসৰ নায়ক সকলক শ্ৰদ্ধাঞ্জলি জনাই তেওঁ মন কী বাতৰ ১৩৬ সংখ্যক খণ্ডৰ আৰম্ভণি কৰে। লগতে তেওঁ মধ্য প্ৰদেশৰ সিধি জিলাত চলি থকা জল সংৰক্ষণ অভিযানৰো প্ৰশংসা কৰে। ইয়াৰ উপৰিও, তেওঁ ভাৰতৰ স্বদেশীয় প্ৰতিৰক্ষা সঁজুলি খণ্ড আৰু বিভিন্ন অলিম্পিয়াডত দেশে অৰ্জন কৰা সাফল্যসমূহৰ বিষয়েও আলোচনা কৰে। তলত 'মন কী বাত' অনুষ্ঠানৰ সম্পাদিত অংশসমূহ উল্লেখ কৰা হ'ল...

- **শৌৰ্য্য বিজয় যাত্ৰাঃ** ১৪ জুলাইৰ পৰা দিল্লীত ৰাষ্ট্ৰীয় যুদ্ধ স্মৃতিসৌধৰ পৰা আৰম্ভ হোৱা 'শৌৰ্য্য বিজয়' মটৰ চাইকেল ৰেলী, দ্ৰাছস্থিত কাৰ্গিল যুদ্ধ স্মাৰকত উপস্থিত হ'ব। ইয়াৰ বাৰ্তা হ'ল -"ওৱান ৰাইড, ওৱান নেচন, ওৱান চেলুট"

- **আত্মনিৰ্ভৰ ভাৰতঃ** আইএনএছ মহেন্দ্ৰগিৰীক ভাৰতীয় নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। এই আধুনিক যুদ্ধজাহাজখনৰ নক্সা আৰু নিৰ্মাণ সম্পূৰ্ণৰূপে ভাৰততেই প্ৰস্তুত কৰা হৈছে। ইয়াত ব্যৱহৃত সামগ্ৰীৰ ৭৫ শতাংশতকৈ অধিক থলুৱা। ই এক 'আত্মনিৰ্ভৰ ভাৰত'ৰ ক্ৰমবৰ্ধমান শক্তিৰ প্ৰতীক।

- **সামূহিক অধ্যৱসায়:** ডিআৰডিঅ'ই পিনাকা লং-ৰেঞ্জ গাইডেড ৰকেটৰ সফলভাবে পৰীক্ষণ সম্পন্ন কৰিছে। এই সফলতা হৈছে আমাৰ বিজ্ঞানী আৰু অভিযন্তাসকলৰ সামূহিক অধ্যৱসায়ৰ ফল।

- **নতুন উচ্চতা স্পৰ্শ:** প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন হওক, প্ৰতিৰক্ষা ৰপ্তানি হওক অথবা মিত্ৰ দেশসমূহৰ সৈতে ৰাজনৈতিক সহযোগিতা হওক-সকলোতে ভাৰতে নিৰন্তৰভাৱে নতুন নতুন উচ্চতা স্পৰ্শ কৰি আছে। ভাৰতৰ প্ৰতিৰক্ষা সঁজুলি আৰু প্ৰযুক্তিৰ ওপৰত বিশ্বৰ আত্মবিশ্বাস ক্ৰমাৎ বৃদ্ধি পাইছে।

- **'বৰষুণ ধৰি ৰাখক':** প্ৰতিটো বৰষুণৰ টোপাল সংৰক্ষণ কৰি 'কেচ্ দ্য ৰেইন' অভিযানক এক গণ আন্দোলনলৈ পৰিণত কৰক। 'কেচ্ দ্য ৰেইন'ৰ বাৰ্তা অতি সহজ- যেতিয়া আৰু য'ত বৰষুণ পৰে, তাতেই পানী সংৰক্ষণ কৰক।

- **ৰাষ্ট্ৰীয় গৌৰৱঃ** পিভি সিন্ধু হৈছে জাপান অ'পেন বেডমিণ্টন খিতাপ দখল কৰা প্ৰথম গৰাকী ভাৰতীয়; এই কৃতিত্বৰ বাবে সমগ্ৰ দেশে গৌৰৱ অনুভৱ কৰিছে। লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত হোৱা প্ৰথমখন মহিলা আন্তঃৰাষ্ট্ৰীয় টেষ্ট ক্ৰিকেট মেচতো ভাৰতীয় মহিলা ক্ৰিকেট দলে জয়লাভ কৰিছে। এয়া এক ঐতিহাসিক জয়।

- **বিক্ৰম-১:** বিক্ৰম-১ৰ সফল উৎক্ষেপণৰ পিছত প্ৰতিজন নাগৰিক গৌৰৱান্বিত হৈ পৰিছে। আমি সকলোৱে ভাৰতৰ মহাকাশ খণ্ডৰ এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ পৰিলোঁ। ই হৈছে ব্যক্তিগত খণ্ডই নিৰ্মাণ কৰা ভাৰতৰ প্ৰথমটো ৰকেট।

- **অলিম্পিয়াডঃ** ভাৰতীয় দলটোৱে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান, আৰু গণিত অলিম্পিয়াডত এক দৰ্শনীয় প্ৰদৰ্শন আগবঢ়াই অসংখ্য সোণ আৰু ৰূপৰ পদক লাভ কৰে।

- **যুৱ শক্তি:** দেশৰ যুৱ শক্তিৰ বাবে মই অত্যন্ত গৌৰৱান্বিত। ভাৰতত অলিম্পিয়াড আৰু হেকাথনৰ সংস্কৃতি ক্ৰমাগতভাৱে বৃদ্ধি পাই থকাটো অতি আনন্দদায়ক। মোৰ বিশ্বাস, দেশৰ অধিক সংখ্যক যুৱকে এনে মঞ্চসমূহত আগ্ৰহ প্ৰকাশ কৰিব আৰু ভাৰতৰ বাবে গৌৰৱ কঢ়িয়াই আনিব।

- **আৰৰ্জনাৰ পৰা সম্পদ:** বিহাৰৰ সীতামড়ীত 'আৰৰ্জনাৰ পৰা সম্পদ' উদ্যোগৰ অধীনত আৰৰ্জনা পুনঃব্যৱহাৰ কৰি আকৰ্ষণীয় বেঞ্চ নিৰ্মাণ কৰা হৈছে। এই প্ৰচেষ্টাই প্ৰমাণ কৰে যে 'ৰিডিউচ, ৰিইউজ এণ্ড ৰিচাইকল্' এতিয়া কেৱল এটা শ্লোগান নহয়, বৰঞ্চ ই আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে।

- **লোকটক হ্ৰদ:** জ্যোতিৰ্বিজ্ঞানী ড০ ৰোনাল্ডো লাইশ্ৰামে নতুনকৈ আৱিষ্কৃত বিশাল নক্ষত্ৰমণ্ডলসমূহৰ এটা বৃহৎ গোটৰ নাম মণিপুৰৰ বিখ্যাত বিশাল মিঠা পানীৰ হ্ৰদ লোকটক হ্ৰদৰ নামেৰে নামকৰণ কৰিছে। এই সাফল্য প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ বিষয়।

- **খাদী বিক্ৰী:** যোৱা ১২ বছৰত খাদীৰ বিক্ৰী ছয় গুণ বৃদ্ধি পাইছে। বৰ্তমান ইয়াৰ বিক্ৰীৰ পৰিমাণ প্ৰায় ৮,০০০ কোটি টকালৈ বৃদ্ধি পাইছে। অনাগত উৎসৱৰ বতৰত সকলোকে অন্ততঃ এটা খাদী, হেণ্ডলুম অথবা হস্তশিল্পৰ সামগ্ৰী ক্ৰয় কৰিবলৈ মই আহ্বান জনাইছোঁ।

মন কী বাত শুনিবলৈ তৃতীয় কোড স্কেন কৰক'।

নিউ ইণ্ডিয়া সমাচাৰ

৭ম বর্ষ, সংখ্যা ৪, আগষ্ট ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
ধীৰেন্দ্র ওঝা
মুখ্য সঞ্চালক প্রধান
প্রেছ ইনফর্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামর্শদাতা সম্পাদক
সন্তোষ কুমাৰ

জ্যেষ্ঠ সহকাৰী পৰামর্শদাতা সম্পাদক
পৱন কুমাৰ

সহকাৰী পৰামর্শদাতা সম্পাদক
অখিলেশ কুমাৰ
চন্দন কুমাৰ চৌধুৰী

ভাষা সম্পাদক
সুমিত কুমাৰ (ইংৰাজী)
ৰজনীশ মিশ্র (ইংৰাজী)
নাদীম আহমেদ (উর্দু)

জ্যেষ্ঠ ডিজাইনাৰ
ফুল চন্দ তিৰাৰী

ডিজাইনাৰ
অভয় গুপ্তা
সত্যম সিং

১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx
নিউ ইণ্ডিয়া সমাচাৰৰ আর্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

ভিতৰৰ পৃষ্ঠাসমূহত...

প্রচ্ছদ নিৰন্ধ

এটা জনকেন্দ্রিক অর্থনৈতিক পদক্ষেপ সার্বজনীন বিকাশৰ ভেটি

বিগত ১২ বছৰত উন্নয়নক লাভান্বিত কৰি দেশৰ দৃষ্টিভংগী আৰু দিশৰ ৰূপান্তৰ ঘটাই অর্থনৈতিক বিপ্লৱ কঢ়িয়াই অনা অন্যতম গতিশীল আঁচনি হৈছে ২০১৪ চনৰ ২৮ আগষ্টত আৰম্ভ হোৱা প্রধানমন্ত্রী জন ধন যোজনা। জন-ধন যোজনাৰ বীজ আর্থ-সামাজিক আৰু প্রযুক্তিগত সবলীকৰণৰ এক বিশাল বটবৃক্ষলৈ পৰিণত হৈছে, ইয়াৰ বহুস্তৰীয় প্রভাৱ আৰু পৰিৱর্তনশীল ফলাফলৰ জৰিয়তে সমাজত গভীৰ প্রভাৱ পেলাইছে... |৮-২১

ৰেল পৰিবহণৰ ভৱিষ্যত
হাইড্রজেন ৰেল

জিন্দৰ পৰা আগবঢ়োৱা হ'ল প্রায় ১৪, ৭০০ কোটি টকাৰ উন্নয়নমূলক প্রকল্প |২২-২৩

সংক্ষিপ্ত সংবাদ |৪-৫

'ভব্য-ৰসায়ন' আঁচনি মুকলি আৰু পিএম-কিষাণ আঁচনি অব্যাহত ৰখাৰ বাবে অনুমোদন
কেন্দ্রীয় কেবিনেটৰ সিদ্ধান্ত |৬-৭

প্রযুক্তি, উদ্ভাৱন আৰু স্বাস্থ্যসেৱা: এখন বিকশিত ভাৰতৰ বাবে এক শক্তিশালী ভেটি
প্রধানমন্ত্রী মোদীয়ে চণ্ডীগড়ক ৪,৭০০ কোটি টকাৰো অধিক মূল্যৰ প্রকল্প উপহাৰ প্রদান কৰে |২৪-২৫

ৰাষ্ট্রৰ সামগ্রিক উন্নয়নৰ অংশীদাৰ...
ৰাষ্ট্রীয় ক্রীড়া দিৱস আৰু ফিট ইণ্ডিয়াৰ ৭ম বর্ষপূর্তি |৩০-৩৩

ভাৰতে ১৩টা সোণসহ মুঠ ৩৯টা পদক লাভ কৰে
কমনৱেল্থ গেমচ্ ২৬ ত ভাৰতীয় খেলুৰেসকলে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে |৩৪-৩৫

'আর্টিকল ৩৭০'য়ে শ্রেষ্ঠ ফিচাৰ ফিল্মৰ বঁটা লাভ কৰে
২০২৪ বর্ষৰ ৭২তম ৰাষ্ট্রীয় চলচ্চিত্র বঁটা ঘোষণা |৩৬-৩৭

ব্যক্তিত্ব: যোদ্ধা ৰাণী অৱন্তীবাই লোধী
তেওঁ আত্মসমর্পণৰ পৰিৱর্তে আত্মবলিদানৰ পথ বাছি লৈছিল |৩৮

সজীৱ গাঁও
বিকশিত গাঁওসমূহ
প্রধানমন্ত্রী মোদীয়ে ২৬ জুলাইত বিকশিত ভাৰতৰ বাবে এক শক্তিশালী ভেটি সজীৱ গাঁও কার্যসূচীৰ অংশগ্রহণকাৰীসকলৰ সৈতে মত-বিনিময় কৰে |২৬-২৭

ৰাষ্ট্রীয় মহাকাশ দিৱস ২৩ আগষ্ট
ভাৰতৰ প্রথম ব্যক্তিগত কক্ষপথীয় উৎক্ষেপণ যান
'বিক্রম-১'ৰ সফল উৎক্ষেপণ
বিশ্ব মহাকাশ খণ্ডত ভাৰতে এক শক্তিশালী পৰিচয় প্রতিষ্ঠা কৰিছে। ইয়াৰ এক উজ্জ্বল উদাহৰণ হ'ল ভাৰতৰ প্রথমটো ব্যক্তিগত ৰকেট 'বিক্রম-১'ৰ সফল উৎক্ষেপণ |২৮-২৯

Published: Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
E-Mail : response-nis@pib.gov.in, RNI No. : DELENG/2020/78811

সম্পাদকৰ মেজৰ পৰা...

জন-ধন যোজনা
অর্থনৈতিক সবলীকৰণৰ ১২টা অতিশয় সফল বছৰ

নমস্কাৰ!

ভাৰতৰ বিত্তীয় অন্তর্ভুক্তিৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ প্ৰধানমন্ত্ৰী জন-ধন যোজনাই ২৮ আগষ্টত ইয়াৰ দ্বাদশ বৰ্ষপূৰ্তি উদযাপন কৰিব। এই ১২ বছৰত, এই আঁচনিখন ভাৰতৰ সামাজিক-অর্থনৈতিক পৰিৱেশৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে, যিয়ে কোটি কোটি পৰিয়ালৰ বাবে বিত্তীয় লেনদেন অধিক সহজ কৰি তুলিছে।

এই যাত্ৰাত পাঁচটা ডাঙৰ পৰিৱর্তন স্পষ্টভাৱে প্ৰকাশ পাইছে। প্ৰথমটো হৈছে- বিত্তীয় অন্তর্ভুক্তি, যাৰ অধীনত সমগ্ৰ দেশতে ৫৮ কোটিৰো অধিক জন-ধন একাউণ্ট মুকলি কৰা হৈছে। দ্বিতীয়তে, মহিলা সবলীকৰণ; এই একাউণ্টসমূহৰ আধাতকৈ অধিক ৩২.৭২ কোটি মহিলাৰ নামত মুকলি কৰা হৈছিল, যাৰ ফলত তেওঁলোকে ঘৰুৱা বিত্তীয় সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সমান অংশীদাৰ হ'ব পাৰিছিল। তৃতীয়তে, প্ৰত্যক্ষ সুবিধা হস্তান্তৰ, যিয়ে ৰাজসাহায্য প্ৰদানৰ ক্ষেত্ৰত অনিয়ম ৰোধ কৰিছিল আৰু সুবিধাসমূহ পোনপটীয়াকৈ উদ্দেশ্যপ্ৰণোদিত গ্ৰাহকৰ ওচৰ পোৱাটো নিশ্চিত কৰিছিল। চতুর্থতে, বীমা আৰু পেঞ্চনৰ সুৰক্ষা, যিয়ে দৰিদ্ৰ আৰু বঞ্চিত পৰিয়ালসমূহক এক সুৰক্ষা কৱচ প্ৰদান কৰিছে। আৰু পঞ্চমতে ডিজিটেল পেমেণ্ট বিপ্লৱ, য'ত ৰুপে' কার্ড আৰু ইউপিআইয়ে নগদবিহীন অর্থনীতি প্ৰতিখন গাঁৱলৈ লৈ গৈছে।

এই পৰিৱর্তনৰ প্ৰভাৱ কেৱল পৰিসংখ্যাৰ দ্বাৰাই নহয়, সাধাৰণ জনতাৰ আত্মবিশ্বাস আৰু মর্যাদাত দৃশ্যমান হয়। বেঙ্কিং ব্যৱস্থাৰ সৈতে প্ৰথমবাৰৰ বাবে সংযুক্ত হোৱা প্ৰতিজন ব্যক্তিয়ে এতিয়া দেশৰ মূল অর্থনৈতিক প্ৰবাহৰ এক সক্ৰিয় অংশীদাৰ হৈ পৰিছে। এয়াই হৈছে জন-ধন যোজনাৰ সর্ববৃহৎ সাফল্য। ই সাধাৰণ নাগৰিকক কেৱল বেংক একাউণ্টৰ সৈতে নহয়, লগতে 'জন-গন-মন' বুলি আমি কৈ অহা সেই ৰাষ্ট্ৰ গঠনৰ মনোভাৱৰ সৈতেও সংযুক্ত কৰিছে।

ইয়াৰ উপৰিও, 'ব্যক্তিত্ব' শাখাত আত্মসমর্পণৰ পৰিৱর্তে শ্বহীদ হোৱাৰ পথ বাছি লোৱা সাহসী যোদ্ধা ৰাণী অৱন্তীবাই লোধীৰ বিষয়ে উল্লেখ কৰা হৈছে। লগতে ৭২তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু কেন্দ্ৰীয় কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বিষয়েও সামৰি লোৱা হৈছে। এই সংখ্যাটোত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু 'ফিট ইণ্ডিয়া' অভিযান (২৯ আগষ্ট) উপলক্ষে বিশেষ বিষয়বস্তু, ২০২৬ চনৰ কমনৱেলথ গেমছত ভাৰতৰ চমকপ্ৰদ প্ৰদর্শন আৰু ৰাষ্ট্ৰীয় মহাকাশ দিৱস (২৩ আগষ্ট)ৰ লগতে বিগত পযেকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসাধাৰণৰ সৈতে হোৱা ৰাজহুৱা যোগাযোগ সম্পর্কিত বিভিন্ন কার্যসূচীসমূহৰ বিষয়েও সামৰি লোৱা হৈছে।

তদুপৰি, ভিতৰৰ পৃষ্ঠাত 'মন কী বাত'ৰ বিষয়ে বিশেষ লেখা অন্তর্ভুক্ত কৰা হৈছে, আনহাতে পিছফালৰ প্ৰচ্ছদত ১৬ আগষ্টৰ ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বার্ষিকী উপলক্ষে এক বিশেষ শ্ৰদ্ধাঞ্জলি প্ৰকাশ কৰা হৈছে।

অনুগ্ৰহ কৰি আপোনালোকৰ পৰামর্শসমূহ আমালৈ পঠিয়াই থাকিব।

(Dhirendra Ojha)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

মেইল বক্স

নিউ ইণ্ডিয়া সমাচাৰে আকর্ষণীয় আৰু গুৰুত্বপূর্ণ তথ্য প্রদান কৰে

মোৰ নাম পৱন কুমাৰ। মই প্রতিযোগিতামূলক পৰীক্ষাৰ বাবে প্রস্তুতি চলাই আছোঁ। 'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীয়ে মোৰ জ্ঞান বৃদ্ধিত সহায় কৰে। ইয়াত আকর্ষণীয় আৰু গুৰুত্বপূর্ণ তথ্য প্রদান কৰা হয়। পযেকীয়া গুৰুত্বপূর্ণ বাতৰি আৰু চৰকাৰী আঁচনিসমূহৰ গভীৰ বিশ্লেষণে মোৰ সমালোচনামূলক চিন্তাধাৰাৰ দক্ষতাও বৃদ্ধি কৰে।

pawankumarpanwar2003@gmail.com

কৃষি, উদ্যোগ, বিজ্ঞান, আৰু প্রযুক্তিৰ তথ্য

মই 'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীৰ সমগ্র দলটিলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। মই এই আলোচনীৰ এজন নিয়মীয়া পাঠক। কেইবাবছৰ ধৰি মই এই আলোচনীখন ই-মেইলৰ জৰিয়তে বিনামূলীয়াকৈ লাভ কৰি আহিছোঁ। আমাৰ গাঁৱৰ লোকসকলে এই আলোচনীখন পঢ়ে আৰু ইয়াত প্রদান কৰা তথ্যৰ পৰা উপকৃত হয়। ৰাজনীতি বিজ্ঞানৰ শিক্ষার্থীসকলৰ বাবে ই এখন হাতপুথিৰ দৰে কাম কৰে। এই আলোচনীখনে আমাৰ শিক্ষার্থীসকলক বিভিন্ন আঁচনি, মহিলা সবলীকৰণ, কৃষি, উদ্যোগ, বিজ্ঞান আৰু প্রযুক্তিৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় কৰিছে।

babitaborthakur59170@gmail.com

মানসম্পন্ন বিষয়বস্তু সৃষ্টিৰ প্রশংসনীয় প্রচেষ্টা

সাধাৰণ জনতাই অৱদান আগবঢ়াব পৰাকৈ নিউ ইণ্ডিয়া সমাচাৰত এটা সৰু খণ্ড বা স্তম্ভ অন্তর্ভুক্ত কৰাৰ কথা চিন্তা কৰিলে লাভজনক হ'ব বুলি মই অনুভৱ কৰোঁ। ইয়াৰ দ্বাৰা সাধাৰণ মানুহে নিজৰ চিন্তা, অভিজ্ঞতা, সৃষ্টিশীল লেখা, বা গুৰুত্বপূর্ণ সামাজিক বিষয়ত মতামত প্রকাশ কৰাৰ সুযোগ পাব। এনে এক মঞ্চই কেৱল পাঠকসকলৰ সৈতে অধিক সংযোগ স্থাপন কৰাত সহায় কৰায় নহয়, লগতে আলোচনীখনলৈ বিভিন্ন আৰু বাস্তৱ জীৱনৰ অভিজ্ঞতাসম্পন্ন দৃষ্টিভংগীও কঢ়িয়াই আনিব। মই আপোনালোকৰ দলটোৱে উচ্চমানৰ বিষয়বস্তু প্রস্তুত কৰাৰ বাবে কৰা প্রচেষ্টাৰ শলাগ লৈছোঁ আৰু আশা কৰোঁ যে এই ধাৰণাটোৱে আলোচনীখনৰ মূল্য অধিক বৃদ্ধি কৰিব।

শালিনী ভাটনাগৰ

sbhatnagar1971@gmail.com

সদায় পঢ়িবলৈ আগ্রহী হৈ থাকোঁ...

মই 'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীৰ এজন নিয়মীয়া পাঠক। মই ইয়াক অতি উৎকৃষ্ট বুলি অনুভৱ কৰোঁ; ই মোক সদায় বিভিন্ন বিষয় সম্পর্কে অৱগত কৰি ৰাখে। মই সদায় এই আলোচনীখন পঢ়িবলৈ আগ্রহেৰে অপেক্ষা কৰোঁ। আলোচনীখন পঢ়াৰ ফলত জটিল বিষয়সমূহো মই সহজে বুজি পাব পাৰো।

kumar.mohan5699@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in

সংক্ষিপ্ত সংবাদ

ভাৰতে প্ৰথম ডেংগু ভেকচিনৰ অনুমোদন প্ৰদান কৰিছে



ভাৰত চৰকাৰৰ কেন্দ্ৰীয় ড্ৰাগছ ষ্টেণ্ডার্ড কণ্ট্ৰল অৰ্গেনাইজেশ্যন (চিডিএছচিঅ')এ ডেংগু প্ৰতিৰোধৰ বাবে ডেংগু টেট্ৰাভেলেণ্ট ভেকচিন (জীৱন্ত, পাতল) 'কিউডেংগা'ৰ বিপণন অনুমোদন প্ৰদান কৰিছে। এই ভেকচিনটো জাৰ্মানীৰ Takeda GmbH ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। এই ৰোগ প্ৰতিৰোধৰ বাবে ই হৈছে ভাৰততে অনুমোদিত প্ৰথম ডেংগু ভেকচিন। কিউডেংগা (Qdenga)ই ইতিমধ্যে বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) প্ৰাক-যোগ্যতা লাভ কৰিছে আৰু ৪২খন দেশত অনুমোদন লাভ কৰিছে, য'ত এতিয়ালৈকে ২.৪ কোটিৰো অধিক ড'জ বিতৰণ কৰা হৈছে। চিডিএছচিঅ'ৰ মতে, এই ভেকচিনৰ গুণগত মান, সুৰক্ষা আৰু কাৰ্যকাৰিতা সম্পৰ্কে বিস্তৃত বৈজ্ঞানিক মূল্যায়নৰ পিছত এই অনুমোদন দিয়া হৈছে। এই ভেকচিন ৪ৰ পৰা ৬০ বছৰ বয়সৰ ব্যক্তিসকলক তিনি মাহৰ ব্যৱধানত দুটা ড'জত প্ৰদান কৰা হয়।

অৱসৰপ্ৰাপ্ত অগ্নিবীৰসকলৰ বাবে সংৰক্ষণ

কেন্দ্ৰীয় চৰকাৰে অগ্নিবীৰসকলক বিভিন্ন পদত নিযুক্তিৰ ক্ষেত্ৰত সংৰক্ষণ আৰু বেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অধীনত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু অসম ৰাইফলছৰ কনিষ্টবল পদত নিযুক্তি সন্দৰ্ভত প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে চৰকাৰে এক নতুন শ্ৰেণী সৃষ্টি কৰিছে। এই শ্ৰেণীত খালী পদসমূহত ৫০% সংৰক্ষণ আৰু নিৰ্ধাৰিত সৰ্বোচ্চ বয়সৰ সীমাত ৩ বছৰৰ বাবে শিথিলতা প্ৰদান কৰা হয়। প্ৰাক্তন অগ্নিবীৰৰ প্ৰথম বেটচৰ প্ৰাৰ্থীসকলে নিৰ্ধাৰিত সৰ্বোচ্চ সীমাৰ বাহিৰত ৫ বছৰৰ বয়সৰ শিথিলতা লাভ কৰিব। অগ্নিবীৰসকলক শাৰীৰিক দক্ষতা পৰীক্ষা (পেট) আৰু লিখিত পৰীক্ষাৰ পৰা বেহাই দিয়া হ'ব।

ৰে'লৰে নিযুক্তিত অগ্নিবীৰসকলৰ বাবে সংৰক্ষণ

- ৰে'ল বিভাগৰ অৰাজপত্ৰিত পদৰ বাবে প্ৰত্যক্ষ নিযুক্তিত অগ্নিবীৰৰ বাবে পে লেভেল-১ত ১০% আৰু পে লেভেল-২ত ৫% ৰিজাৰ্ভৰ সংৰক্ষণ কৰা হৈছে।
- ৰে'লৰে সুৰক্ষা বাহিনী (আৰ পি এফ)ত কনিষ্টবল পদৰ নিযুক্তিৰ ক্ষেত্ৰত ১০% সংৰক্ষণ প্ৰদান কৰা হ'ব।

জ্যোতিৰ্বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে
বিৰল নীলা ষ্ট্ৰেগলাৰ নক্ষত্ৰ



ইণ্ডিয়ান ইনষ্টিটিউট অৱ এষ্ট্ৰ'ফিজিক্স (আইআইএ)ৰ বিজ্ঞানীসকলে আন্তঃৰাষ্ট্ৰীয় অংশীদাৰৰ সহযোগত এটা বিৰল নীলা ষ্ট্ৰেগলাৰ নক্ষত্ৰ আৱিষ্কাৰ কৰিছে। বৰ্তমান এই নক্ষত্ৰ গঠনৰ প্ৰক্ৰিয়া চলি আছে। ই প্ৰায় ৯,৫০০ আলোকবৰ্ষ দূৰত্বত কলিগুাৰ ২৬১ নক্ষত্ৰপুঞ্জত অৱস্থিত, এই অধ্যয়নত দেখা গৈছে যে ই ইয়াৰ সংগী নক্ষত্ৰৰ পৰা অহৰহ পদাৰ্থ সংগ্ৰহ কৰি আছে, যাৰ ফলত ই অধিক গৰম, উজ্জ্বল আৰু অধিক বৃহৎ হৈ পৰিছে। নাছাৰ টেছ অভিযান আৰু ইউৰোপীয় দক্ষিণ নিৰীক্ষণ কেন্দ্ৰৰ 'অতি বৃহৎ টেলিস্কোপ'ৰ তথ্য ব্যৱহাৰ কৰি এই আৱিষ্কাৰ নিশ্চিত কৰা হৈছে। । গৱেষকসকলে দেখিলে যে নীলা ষ্ট্ৰেগলাৰ নক্ষত্ৰটোৱে নিজৰ সংগীৰ পৰা অহৰহ পদাৰ্থ আহৰণ কৰি আছে-ই হৈছে এটা গণ স্থানান্তৰ প্ৰক্ৰিয়া যিটো ৫.৪৬ বিলিয়ন বছৰৰ আগতে আৰম্ভ হৈছিল আৰু এতিয়াও চলি আছে, ইয়াৰ উপৰিও প্ৰকাশ পাইছে যে নীলা ষ্ট্ৰেগলাৰ নক্ষত্ৰটোৰ ভৰ সূৰ্য্যৰ ভৰৰ ১.৬৭ গুণ।

পি এল আইৰ জৰিয়তে উৎপাদন বৃদ্ধি

বিনিয়োগ আৰু ৰপ্তানি বৃদ্ধি; ১৪.১৫ লাখতকৈও অধিক সংস্থাপন সৃষ্টি

উদ্যোগসমূহৰ উৎপাদন ক্ষমতা বৃদ্ধি, বিনিয়োগ আকৰ্ষণ, ৰপ্তানি বৃদ্ধি আৰু সংস্থাপন সৃষ্টিৰ লক্ষ্যৰে চৰকাৰে ১৪টা মূল খণ্ডত ৰূপায়ণ কৰা 'উৎপাদন সংযুক্ত উদগনি' (পি এল আই) আঁচনিসমূহে ২০২৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত ২.৪০ লাখ কোটি টকাতকৈও অধিক বিনিয়োগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে ১৪.১৫ লাখতকৈও অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপন সৃষ্টি হৈছে। তদুপৰি, এই আঁচনিয়ে বৰ্তমানলৈকে ১৫.২ লাখ কোটি টকাতকৈও অধিক মূল্যৰ সামগ্ৰীৰ সামূহিক ৰপ্তানিত সহায় কৰিছে।

মোবাইল উৎপাদন: মোবাইলৰ উৎপাদন ২.৪ গুণ বৃদ্ধি পোৱাৰ বিপৰীতে আমদানি ৭৭% হ্ৰাস পাইছে। দেশত ব্যৱহাৰ কৰা ৯৯.২% ফোনেই থলুৱাভাৱে প্ৰস্তুত কৰা।

ফাৰ্মাচিউটিকেল: ঔষধৰ বিক্ৰী ৩.৬৪ লাখ কোটি টকাতকৈও অধিক হৈছে; ১, ৯৩১ বিধ ঔষধ আৰু ১৯১ বিধ নতুন মূল ঔষধৰ থলুৱা উৎপাদন আৰম্ভ হৈছে।

চিকিৎসা সঁজুলি: পি এল আই আঁচনিৰ ফলত চিটি স্কেনাৰ, এম আৰ আই মেচিন, কেথ লেব আৰু আল্‌ট্ৰাছ'ন'গ্ৰাফী যন্ত্ৰৰ থলুৱা উৎপাদন বৃদ্ধি পাইছে; ৫৫ প্ৰকাৰৰ সঁজুলিৰ বিকাশ সাধন কৰা হৈছে।



'কুশ' ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ

২০২৬ চনৰ ২৩ জুলাইত প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডি আৰ ডি অ')ই ওড়িশা উপকূলৰ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা দীৰ্ঘদূৰত্বৰ ভূ-পৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা 'কুশ' ক্ষেপণাস্ত্ৰৰ প্ৰথমটো সফল উৰণ পৰীক্ষণ সম্পন্ন কৰে। এক উচ্চ গতিসম্পন্ন আৰু উচ্চ উৰ্ধতাৰ আকাশমাৰ্গৰ ভাবুকিক প্ৰতিফলিত কৰা ইলেকট্ৰনিক লক্ষ্যৰ বিৰুদ্ধে এই প্ৰথম পৰীক্ষা চলোৱা হৈছিল। ক্ষেপণাস্ত্ৰ প্ৰণালীটোৱে সফলতাৰে লক্ষ্যবস্তু ধ্বংস কৰে। 'কুশ' ক্ষেপণাস্ত্ৰ প্ৰণালীটোৱে বিভিন্ন দূৰত্ব আৰু উৰ্ধতাত যুদ্ধবিমান, ক্ষেপণাস্ত্ৰ, মানৰহীন আকাশমাৰ্গীয় বাহন (ইউ এ ভি) আৰু শত্ৰুৰ ডাঙৰ বিমান আদিকে ধৰি নানা ধৰণৰ আকাশমাৰ্গীয় ভাবুকি নিঃশেষ কৰিবলৈ সক্ষম।

আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান আৰু গণিত অলিম্পিয়াড
২০২৬ত ভাৰতৰ ঐতিহাসিক সাফল্য

২০২৬ চনৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান আৰু

গণিতৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াডসমূহত ভাৰতীয় শিক্ষাৰ্থীসকলে এক অসাধাৰণ প্ৰদৰ্শন দাঙি ধৰি বিশ্বৰ মঞ্চত দেশৰ বৈজ্ঞানিক উৎকৃষ্টতা প্ৰতিষ্ঠা কৰে। এই বৰ্ষত এই চাৰিওটা অলিম্পিয়াডত ভাৰতে মুঠ ১২টা সোণ আৰু ৭টা ৰূপৰ পদক অৰ্জন কৰে। ইয়াৰ এক ঐতিহাসিক দিশ আছিল যে পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান অলিম্পিয়াডত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ভাৰতীয় প্ৰতিনিধিয়ে সোণৰ পদক লাভ কৰে। এই উল্লেখনীয় সফলতাই বিজ্ঞান আৰু গণিত খণ্ডৰ ৰাষ্ট্ৰীয় অলিম্পিয়াড কাৰ্যসূচীৰ ফলপ্ৰসূতা প্ৰমাণ কৰে। পাৰমাণৱিক শক্তি বিভাগৰ সাহায্যত আৰু হোমী ভাবা চেণ্টাৰ ফৰ ছায়েন্স এডুকেশ্বনৰ বিশেষজ্ঞ নিৰ্দেশনাত এই কাৰ্যসূচী পৰিচালনা কৰা হয়।

প্ৰায় চাৰি দশক ধৰি পাৰমাণৱিক শক্তি বিভাগে দেশৰ প্ৰতিভাবান যুৱক-যুৱতীসকলক চিনাক্ত কৰি তেওঁলোকক লালন-পালন কৰিবলৈ নীৰৱচ্ছিন্ন প্ৰতিষ্ঠানিক সাহায্য আগবঢ়াই আহিছে, যাৰ ফলত তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাসমূহত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

কেন্দ্রীয় কেবিনেটৰ সিদ্ধান্তসমূহ

‘ভব্য-ৰসায়ন’ আঁচনিৰ অনুমোদন

পি এম-কিষাণ আঁচনি আৰু ধাৰাবাহিকতা অব্যাহত ৰখাৰ সিদ্ধান্ত

কেন্দ্রীয় চৰকাৰ দেশখনক ৰাসায়নিক সাৰ উৎপাদনৰ ক্ষেত্রত বিশ্বৰ শীৰ্ষস্থানলৈ নিবলৈ প্রতিশ্রুতিবদ্ধ। এই উদ্দেশ্যে কেন্দ্রীয় কেবিনেটে দেশৰ ৰাসায়নিক আৰু পেট্রকেমিকেল ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূর্ণ পদক্ষেপ হিচাপে ‘ভব্য-ৰসায়ন’ আঁচনিখন অনুমোদন জনাইছে। তদুপৰি, আন কেইবাটাও মূল প্রস্তাৱৰ লগতে ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বিত্তীয় বর্ষলৈ প্রধানমন্ত্রী কিষাণ সন্মান নিধি (পি এম-কিষাণ) আঁচনিখন ধাৰাবাহিকভাৱে চলাই নিয়াৰ বাবে অনুমোদন প্রদান কৰা হৈছে...

সিদ্ধান্ত: কেন্দ্রীয় কেবিনেটে দেশত তিনিটা নির্দিষ্ট ৰাসায়নিক উদ্যোগ উদ্যান স্থাপনৰ বাবে ‘ভাৰত ঔদ্যোগিক বিকাশ যোজনা ৰসায়ন’ চমুকৈ ‘ভব্য-ৰসায়ন’ আঁচনিত অনুমোদন জনায়।

প্রভাৱ: ২০২৬-২৭ বিত্তীয় বর্ষৰ কেন্দ্রীয় বাজেটত এই আঁচনিখন ঘোষণা কৰা হৈছিল। আঁচনিখনৰ বাবে ৩,০৩০ কোটি টকা নির্ধাৰণ কৰা হ’ব। ২০২৬-২৭ বিত্তীয় বর্ষৰ পৰা ২০৩০-৩১ বিত্তীয় বর্ষলৈ পাঁচ বছৰৰ বাবে এই আঁচনিখন বলৱৎ হৈ থাকিব।

- ই ৰাসায়নিক খণ্ডৰ মূল্য শৃংখলাৰ অন্তর্গত উর্ধ্বমুখী, নিম্নমুখী আৰু সহযোগী উদ্যোগসমূহৰ সামগ্রিক বিকাশত অৰিহণা যোগাব।
- উৎপাদন ব্যয়ৰ ক্ষেত্রত প্রতিযোগিতা উন্নত হ’ব, যিয়ে ভাৰতীয় ৰাসায়নিক উদ্যোগক বিশ্বমঞ্চত অধিক প্রতিযোগিতামুখী কৰি তুলিব।
- ভাৰতীয় ৰাসায়নিক উদ্যোগসমূহে বিশ্ব মূল্য শৃংখলাৰ সৈতে উন্নত সংযোজন লাভ কৰিব; ৰপ্তানি দ্রুত হ’ব আৰু আমদানিৰ ওপৰত নির্ভৰশীলতা হ্রাস পাব।
- পৰিৱেশ-অনুকূল ঔদ্যোগিক ব্যৱস্থাৰ মাধ্যমেৰে বহনক্ষম ঔদ্যোগিক বিকাশক উৎসাহিত কৰা হ’ব।

কেবিনেটৰ সিদ্ধান্তসমূহৰ সংবাদ মেল চাবলৈ কিউ আৰ ক’ডটো স্কেন কৰক।

সিদ্ধান্ত: ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বিত্তীয় বর্ষলৈ প্রধানমন্ত্রী কিষাণ সন্মান নিধি (পি এম-কিষাণ) আঁচনিখন ধাৰাবাহিকভাৱে চলাই নিয়াৰ বাবে অনুমোদন প্রদান কৰা হৈছে।

প্রভাৱ: পি এম-কিষাণ আঁচনিৰ অধীনত পোৱা সহায়ে কৃষকসকলক সময়মতে বীজ, সাৰ, জলসিঞ্চন, কৃষি সঁজুলি আৰু কৃষি কার্যৰ বাবে প্রয়োজনীয় অন্যান্য সামগ্রীৰ বিনিয়োগ কৰাত সহায় কৰে। ই কৃষকসকলৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ লগতে অনানুষ্ঠানিক ঋণৰ ওপৰত তেওঁলোকৰ নির্ভৰশীলতা হ্রাস কৰিছে আৰু গ্রাম্য পৰিয়ালসমূহৰ অর্থনৈতিক সুস্থিৰতা মজবুত কৰি তুলিছে।

- এই আঁচনিখনৰ বাবে মুঠ ৩.১৫ লাখ কোটি টকাৰ বিত্তীয় অনুমোদন প্রদান কৰা হৈছে।
- আঁচনিখনৰ অধীনত উপযুক্ত ভূমি থকা কৃষক পৰিয়ালসমূহে বছৰি ৬,০০০ টকাকৈ বিত্তীয় সাহায্য লাভ কৰে, যিটো তিনিটা সমান কিস্তিত পোনে পোনে তেওঁলোকৰ বেংক একাউণ্টত জমা কৰা হয়।
- বর্তমানলৈকে ২৩টা কিস্তিৰ জৰিয়তে ৪.৪৭ লাখ কোটি টকাতকৈও অধিক ধন পোনে পোনে কৃষকসকলৰ বেংক একাউণ্টত হস্তান্তৰ কৰা হৈছে।

কেবিনেটৰ সিদ্ধান্তসমূহৰ সংবাদ মেল চাবলৈ কিউ আৰ ক’ডটো স্কেন কৰক।

সিদ্ধান্ত: শক্তি সঞ্চয় ব্যৱস্থাসহ ভাসমান সৌৰ ফটোভ'ল্টিক প্ৰকল্প ৰূপায়ণৰ বাবে 'প্ৰধানমন্ত্ৰী সূৰ্য সৰোবৰ যোজনা' (পি এম-এছ এছ ৰাই) অনুমোদন জনায়।

প্ৰভাৱ: এই আঁচনিৰ অধীনত ৫,০০০ মেগাৱাট ক্ষমতা সম্পন্ন ভাসমান সৌৰ ফটোভ'ল্টিক প্ৰকল্প গঢ়ি তোলা হ'ব।

- এই আঁচনিয়ে নৱীকৰণযোগ্য শক্তিৰ ক্ষমতা বৃদ্ধিত অৱিহণা যোগোৱাৰ লগতে ৰাষ্ট্ৰীয় শক্তি তথা জলবায়ুৰ লক্ষ্যসমূহত উপনীত হোৱাত সহায় কৰিব।
- ই 'বিকশিত ভাৰত' (উন্নত ভাৰত)ৰ দৃষ্টিভংগীক আগবঢ়াই নিয়াৰ লগতে জলসম্পদৰ সৰ্বোত্তম ব্যৱহাৰ সুনিশ্চিত কৰিব।
- এই আঁচনিৰ দ্বাৰা সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল উপকৃত হোৱাৰ লগতে ব্যাপক পৰিমাণে সংস্থাপন সৃষ্টি হ'ব। ইয়াৰ বাবে মুঠ ৫,০৭০ কোটি টকাৰ বাজেট আবণ্টন কৰা হৈছে।

সিদ্ধান্ত: কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশক সামৰি বেল্লাৰী-গুণ্টাকাল ৰে'ল খণ্ডত তৃতীয় আৰু চতুৰ্থ ৰে'লপথ নিৰ্মাণৰ প্ৰকল্পত অনুমোদন প্ৰদান কৰা হৈছে।

প্ৰভাৱ: প্ৰকল্পটোৰ আনুমানিক ব্যয় ১,২৬৪ কোটি টকা। ২০২৮-২৯ বিত্তীয় বৰ্ষৰ ভিতৰত এই প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ৰে'লপথৰ ক্ষমতা বৃদ্ধিয়ে ৰে'ল চলাচল অধিক সুচল কৰি তুলিব আৰু ভাৰতীয় ৰে'লৱেৰ কাৰ্যক্ষমতা তথা সেৱাৰ বিশ্বাসযোগ্যতা উল্লেখনীয়ভাৱে বৃদ্ধি কৰিব। এই বহু-ৰে'লপথ নিৰ্মাণ প্ৰকল্পই ৰে'ল সেৱা অধিক খৰতকীয়া কৰাত আৰু যান-জঁট হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

- ই ভাৰতীয় ৰে'লৱেৰ বৰ্তমানৰ নেটৱৰ্কত প্ৰায় ৪৬ কিলোমিটাৰ অতিৰিক্ত ৰে'লপথ সংযোজন কৰিব।
- ই প্ৰতি বছৰে অতিৰিক্ত ১৬ নিযুত টন পণ্য পৰিবহণৰ ক্ষমতা প্ৰদান কৰিব, যাৰ ফলত লজিষ্টিক খৰচত বছৰিলে প্ৰায় ১৪৯ কোটি টকা ৰাহি হ'ব।
- প্ৰায় ৯৯খন গাঁৱৰ ৰে'ল যোগাযোগ ব্যৱস্থা উন্নত হ'ব, যাৰ দ্বাৰা সাত লাখ লোক উপকৃত হ'ব।
- ৰে'লপথৰ ক্ষমতা বৃদ্ধিয়ে বেল্লাৰী দুৰ্গ আৰু শ্ৰী কুমাৰস্বামী মন্দিৰকে ধৰি সমগ্ৰ দেশৰ কেইবাটাও প্ৰধান পৰ্যটনস্থলীৰ সৈতে যোগাযোগ ব্যৱস্থা উন্নত কৰিব।
- ইয়াৰ ফলত বছৰিলে প্ৰায় ১ কোটি ৩২ লাখ (১৩.২ নিযুত) লিটাৰ ইন্ধন ৰাহি হ'ব। এই প্ৰকল্পই ৬.৬৭ কোটি কিলোগ্ৰাম কাৰ্বন ডাই অক্সাইড নিৰ্গমন হ্ৰাস কৰিব, যি ২৭ লাখ গছ ৰোপণ কৰাৰ সমান।

সিদ্ধান্ত: সংশোধিত 'খেলো ইণ্ডিয়া' আঁচনি আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচন (এন এফ এছ)সমূহৰ বাবে অতিৰিক্ত সাহায্যৰ অনুমোদন।

প্ৰভাৱ: ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বৰ্ষৰ সময়ছোৱাৰ বাবে ৩৬,৪৪১ কোটি টকাৰ বাজেট আবণ্টন কৰা হৈছে। এই অনুমোদিত ধনৰ পৰিমাণ পূৰ্বৰ 'খেলো ইণ্ডিয়া' আঁচনিতকৈ প্ৰায় আঠ গুণ বেছি।

- এই নতুন পদক্ষেপে ক্ৰীড়া আন্তঃগাঁথনি অধিক শক্তিশালী কৰি তুলিব। ইয়াৰ অধীনত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহক প্ৰদান কৰা সাহায্য বৃদ্ধি কৰা হ'ব।
- ক্ষমতা বিকাশৰ বাবে ধনৰ যোগান ধৰা হ'ব আৰু খেলুৰৈসকলক নতুন উচ্চতালৈ লৈ যাবলৈ তথা বিশ্বমঞ্চত নিজৰ যোগ্যতা প্ৰমাণ কৰাত সহায় কৰিবলৈ বিদেশী বিশেষজ্ঞসকলৰ অভিজ্ঞতা আৰু দক্ষতা ব্যৱহাৰ কৰা হ'ব।

সিদ্ধান্ত: 'সমুদ্ৰ মন্থন' - ৰাষ্ট্ৰীয় উপকূলীয় অন্বেষণ আঁচনিৰ অনুমোদন।

প্ৰভাৱ: 'সমুদ্ৰ মন্থন' হ'ল দেশৰ উপকূলীয় শক্তি সম্পদ ব্যৱহাৰ কৰা, দীৰ্ঘম্যাদী শক্তি নিৰাপত্তা শক্তিশালী কৰা, কাৰিকৰী দক্ষতা বৃদ্ধি কৰা আৰু অৰ্থনীতি তথা ভৱিষ্যত প্ৰজন্মৰ বাবে বহনক্ষম মূল্য সৃষ্টি কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা এক ৰূপান্তৰকাৰী ৰাষ্ট্ৰীয় পদক্ষেপ।

- এই আঁচনিয়ে উপকূলীয় অন্বেষণ কাৰ্যসূচীসমূহক উল্লেখযোগ্যভাৱে দ্ৰুত কৰি তুলিব। ই থলুৱা খাৰুৱা তেল আৰু গেছৰ উৎপাদন বৃদ্ধিত অৱিহণা যোগাব আৰু ব্যাপক পৰিমাণে সংস্থাপন সৃষ্টি কৰিব।
- একে সময়তে, 'মেক ইন ইণ্ডিয়া' আৰু 'আত্মনিৰ্ভৰ ভাৰত' পদক্ষেপৰ অধীনত দেশীয় উৎপাদন খণ্ড অধিক শক্তিশালী হ'ব।
- ২০৩০-৩১ বিত্তীয় বৰ্ষ পৰ্যন্ত এই আঁচনিখনৰ বাবে ৮৪,০৮৪ কোটি টকাৰ ব্যয়ৰ অনুমোদন জনোৱা হৈছে।

"আমি সমগ্ৰ দেশৰ আমাৰ কৃষক ভাই-ভনীসকলৰ সবলীকৰণ আৰু সমৃদ্ধিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই দিশত, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাক ২০৩০-৩১ বৰ্ষলৈ সম্প্ৰসাৰিত কৰাৰ অনুমোদন প্ৰদান কৰা হৈছে। ই কেৱল আমাৰ কৃষকসকলক বীজ, সাৰ আৰু কৃষি কাৰ্য সম্পৰ্কীয় প্ৰয়োজনসমূহ পূৰণ কৰাত সহায় কৰাই নহয়, বৰঞ্চ তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাও উন্নত কৰিব।"

- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

১২ বছৰ
জন ধন যোজনাৰ
প্ৰচ্ছদ নিবন্ধ

জন ধন যোজনা

জনকেন্দ্ৰিক এক অৰ্থনৈতিক পদক্ষেপ সমাৱেশী বিকাশৰ ভেটি

বিগত ১২ বছৰ ধৰি সমগ্ৰ দেশৰ চিন্তাধাৰা আৰু দিশ ৰূপান্তৰিত কৰি অৰ্থনৈতিক বিপ্লৱ আনিব পৰা তথা বিকাশ প্ৰক্ৰিয়াক গতি প্ৰদান কৰা অতিশয় গতিশীল আঁচনিসমূহৰ অন্যতম হ'ল-২০১৪ চনৰ ২৮ আগষ্টত মুকলি কৰা 'প্ৰধানমন্ত্ৰী জন ধন যোজনা'। সাধাৰণ নাগৰিকক সবলীকৰণ কৰাৰ সপোন লৈ আৰম্ভ কৰা এই আঁচনিয়ে নিশ্চিত কৰে যে দেশৰ অৰ্থনৈতিক সম্পদসমূহ যেন দুখীয়া জনগণৰ প্ৰয়োজন পূৰণত ব্যৱহাৰ হয়। জন ধন যোজনাৰ এই বীজটো আজি আৰ্থ-সামাজিক আৰু প্ৰযুক্তিগত সবলীকৰণৰ এক বিশাল বটবৃক্ষত পৰিণত হৈছে, যিয়ে বহুস্তৰীয় ৰূপান্তৰৰ জৰিয়তে এক গভীৰ প্ৰভাৱ পেলাইছে...

১

ছত্তীশগড়ৰ জশপুৰ জিলাৰ বাসিন্দা লীলা বাই পোৰ্তে ছজনীয়া এটা পৰিয়ালত বাস কৰে আৰু তেওঁ এগৰাকী কৃষি শ্ৰমিক হিচাপে কাম কৰে। ২০১৫ চনত তেওঁলোকৰ গাঁও কৰমিতিক্ৰাৰ পৰা আটাইতকৈ ওচৰৰ বেংকটো ৭ কিলোমিটাৰ দূৰত আছিল আৰু পৰিয়ালটোৰ কোনো বেংক একাউণ্ট নাছিল। এজন 'বেংক মিত্ৰ'ই গাঁওখনলৈ আহি এটা সৰু সঁজুলি ব্যৱহাৰ কৰি তেওঁৰ বাবে এটা একাউণ্ট খুলি দিয়ে; পাছত তেওঁ 'জীৱন জ্যোতি' বীমা আঁচনিৰ বাবে এখন প্ৰ-পত্ৰ (ফৰ্ম) পূৰণ কৰাতো সাহায্য কৰে। সেই একে বছৰতে অতিৰিক্ত উত্তাপৰ বাবে তেওঁৰ স্বামীৰ মৃত্যু হয়। তেওঁ অসহায় অনুভৱ কৰিছিল আৰু গভীৰ মানসিক তথা বিত্তীয় সংকটত পৰিছিল। যেতিয়া বেংক মিত্ৰগৰাকীক এই পৰিস্থিতিৰ বিষয়ে জনোৱা হ'ল, তেওঁ এই সামাজিক সুৰক্ষা আঁচনিখনৰ অধীনত থকা বীমাৰ সুবিধাৰ সবিশেষ তথ্য প্ৰদান কৰিলে। তেওঁ লীলা বাইৰ ঘৰলৈ গৈ প্ৰয়োজনীয় প্ৰপত্ৰসমূহ পূৰণ কৰাত সহায় কৰিলে আৰু সেইবোৰ কাৰ্যালয়ত জমা দিলে, যাৰফলস্বৰূপে তেওঁৰ একাউণ্টত ২ লাখ টকা জমা হয়। সেই সংকটৰ সময়ত এই বিত্তীয় সাহায্যই তেওঁক এক আশাৰ ৰেঙনি আগবাঢ়ি যোৱাৰ শক্তি প্ৰদান কৰিলে।

২

মধ্যপ্ৰদেশৰ গোৱালিয়ৰৰ পাণিহাৰ গাঁৱৰ বাসিন্দা গজেন্দ্ৰ সিঙে ২০১৪ চনৰ আগষ্ট মাহত 'প্ৰধানমন্ত্ৰী জন ধন যোজনা'ৰ অধীনত এটা একাউণ্ট খোলে। ইয়াৰ পূৰ্বে তেওঁৰ কোনো বেংক একাউণ্ট নাছিল আৰু বেংক ব্যৱস্থাৰ বিষয়েও বিশেষ জ্ঞান নাছিল। তেওঁ এজন উপান্ত কৃষক। চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ বৰাই শাখাত একাউণ্ট খোলাৰ পিছত গজেন্দ্ৰ সিঙে ইয়াৰ ব্যৱহাৰ আৰম্ভ কৰে। তেওঁ ওচৰ-পাজৰৰ গাঁওসমূহতো এই একাউণ্টৰ সুবিধাসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰে। অৰ্থনৈতিক অন্তৰ্ভুক্তিৰ প্ৰতি তেওঁৰ বোধগম্যতাও উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে।

'প্ৰধানমন্ত্ৰী জন ধন যোজনা'ৰ হিতাধিকাৰীসকলৰ এনে সফলতাৰ কাহিনীসমূহ, যিবোৰ আত্মসন্তুষ্টি, আত্ম-সন্মান আৰু মৰ্যাদাৰ অনুভূতিৰে পৰিপূৰ্ণ, সেইবোৰ কেৱল এটা বেংক একাউণ্ট খোলাতেই সীমাবদ্ধ হৈ থকা নাই। বিগত ১২ বছৰত এই কাহিনীবোৰে আৰ্থ-সামাজিক প্ৰেক্ষাপটত অহা এক ৰূপান্তৰকাৰী যুগৰ সাক্ষ্য বহন কৰি আহিছে। এক শক্তিশালী অৰ্থনীতিয়ে যিকোনো সমাজতে বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে আৰু সেই অৰ্থনীতিৰ ভিতৰত বিত্তীয় সুৰক্ষাৰ মূল আধাৰ হ'ল বেংক একাউণ্ট। জন ধন যোজনাৰ প্ৰভাৱ কেৱল একাউণ্ট খোলাতেই সীমিত থকা নাই; ইয়াৰ ১২ বছৰীয়া যাত্ৰাত ই বহুস্তৰত ডাঙৰ আৰু স্থায়ী পৰিৱৰ্তনৰ সূচনা কৰিছে। ই সামাজিক, অৰ্থনৈতিক, প্ৰযুক্তিগত আৰু গোলকীয় ক্ষেত্ৰত ভাৰতৰ ছবিখনকে সলনি কৰি পেলাইছে।

২০১৪ চনৰ ১৫ আগষ্টত দুখীয়া আৰু বেংকিং সেৱাৰ পৰা বঞ্চিত লোকসকলক বেংক তথা বিত্তীয় সেৱাৰ সৈতে সাঙুৰি দৰিদ্ৰতাৰ চক্ৰৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে 'জন ধন যোজনা' ঘোষণা কৰা হৈছিল। এই আঁচনিখন ঘোষণা কৰাৰ মাত্ৰ ১৫ দিনৰ ভিতৰতে ৰূপায়ণ কৰা হয়। এটা জনকেন্দ্ৰিক অৰ্থনৈতিক পদক্ষেপৰ মূল ভেটি হিচাপে কাম কৰা এই আঁচনিয়ে 'প্ৰতিটো পৰিয়াল' ধাৰণাটোৰো এখোজ আগুৱাই গৈ 'প্ৰতিগৰাকী প্ৰাপ্তবয়স্ক ব্যক্তি'ৰ যেন এটা বেংক একাউণ্ট থাকে, সেয়া নিশ্চিত কৰিলে। যেতিয়া দুখীয়া মানুহে জন ধন একাউণ্টৰ সুবিধা লাভ কৰিলে, যিটো দেখাত এটা সৰু পদক্ষেপ আছিল, কিন্তু ই তেওঁলোকৰ আত্ম-সন্মানৰ ভাৰ জাগ্ৰত কৰি তুলিলে। আনকি সুবিধা-বঞ্চিত লোকসকলেও লাখ লাখ কোটি টকাৰ সঞ্চয়ত অৰিহণা যোগাইছে।

২০১৪ চনত যেতিয়া

10 বছৰ
জন ধন যোজনাৰ
প্ৰচ্ছদ নিবন্ধ 12

থোৰতে প্ৰধানমন্ত্ৰী জন ধন যোজনা

মুঠ জন ধন একাউণ্ট
(২০২৬ৰ ৮ জুলাইলৈকে)
৫৮.৭০
কোটি

গ্ৰাম্য আৰু অৰ্ধ-নগৰীয়া একাউণ্টসমূহৰ আনুমানিক অংশ
আনুমানিক
৭৮%

ৰূপে কার্ডৰ জাৰি কৰা হৈছে
৪১
কোটি

মহিলা একাউণ্টধাৰীৰ আনুমানিক অংশ
৫৬%

মুঠ জমা ধনৰ পৰিমাণ
আনুমানিক
৩.১০
লাখ কোটি টকা

শূন্য-বেলেঞ্চৰ একাউণ্টৰ পৰিমাণ হ্ৰাস



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব গ্ৰহণ কৰিছিল, তেওঁ দেশৰ সমগ্ৰ ব্যৱস্থাটো অতি সূক্ষ্মভাৱে অধ্যয়ন কৰিছিল। সুশাসনৰ পূৰ্ব অভিজ্ঞতা আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰি তেওঁ আৰ্থ-সামাজিক শ্ৰেণীৰ একেবাৰে তলৰ খাপত থকা ব্যক্তিগৰাকীক সবলীকৰণ কৰিবলৈ আৰু তেওঁলোকৰ বিত্তীয় সুৰক্ষাৰ বাবে এক নতুন ব্যৱস্থা গঢ়ি তুলিবলৈ প্ৰণালীবদ্ধ পদক্ষেপ গ্ৰহণ কৰিছিল। 'প্ৰধানমন্ত্ৰী জন ধন যোজনা' এই সকলোবোৰ পদক্ষেপৰ মূল আধাৰ হৈ পৰিল। দুখীয়া ৰাইজৰ পদুলিলৈ বেংকিং সেৱা আগবঢ়াই নিয়াৰ বাবে এক অনন্য কার্যসূচী মুকলি কৰা হৈছিল। মূল নীতিটো আছিল-ৰাইজৰ ধন, যি ধন প্ৰকৃততে তেওঁলোকৰ প্ৰাপ্য, সেয়া যেন পোনে পোনে তেওঁলোকৰ হাতলৈ যায়। এই ব্যাপক দৃষ্টিভংগীৰে কেন্দ্ৰীয় চৰকাৰে জন ধন একাউণ্ট, আধাৰ আৰু মোবাইল সংযোগক সামৰি এক শক্তিশালী 'ত্ৰিমূৰ্তি' গঢ়ি তুলিলে, যিয়ে দুখীয়া মানুহৰ বাবে অহা ধনৰ অপব্যৱহাৰ তথা হৰলুকী সম্পূৰ্ণৰূপে বন্ধ কৰি পেলালে। এতিয়া, গৃহ নিৰ্মাণৰ পুঁজি, এল পি জিৰ ৰাজসাহায্য, এম জি এনৰেগাৰ মজুৰি বা কিষাণ সন্মান নিধি, যিয়েই নহওক কিয়, সকলো ধন পোনপটীয়াকৈ হিতাধিকাৰীৰ একাউণ্টত জমা কৰা হয়। অৰ্থাৎ, কোনো বৈষম্য নোহোৱাকৈ প্ৰতিগৰাকী ব্যক্তিয়ে প্ৰত্যক্ষ লাভ পাবলৈ সক্ষম হৈছে। ইয়াৰ পিছতে হিতাধিকাৰীসকলক সৰলীকৰণ কৰাৰ বাবে তেওঁলোকক ষ্টেণ্ড-আপ ইণ্ডিয়া, ষ্টার্ট-আপ ইণ্ডিয়া আৰু মুদ্ৰা আঁচনিৰ দৰে ব্যৱস্থাৰ সৈতে সংযোগ কৰাৰ এক ব্যৱস্থা গঢ়ি তোলা হ'ল। মূলতঃ, প্ৰধানমন্ত্ৰী জন-ধন যোজনা আৰ্থ-সামাজিক সুৰক্ষাৰ কৱচ প্ৰদান কৰাৰ লগতে ঔদ্যোগীকৰণক উৎসাহিত কৰা সকলো ধৰণৰ আঁচনিৰ মূল আধাৰ

পি এম জে ডি ৰাই

একাউণ্টৰ বৈশিষ্ট্য আৰু বিনামূলীয়া সুবিধাসমূহ

পি এম জে ডি ৰাই একাউণ্ট হৈছে বেচিক ছেভিংছ বেংক ডিপ'জিট একাউণ্ট (বি এছ বি ডি এ)। সম্পূৰ্ণৰূপে কে ৰাই চি-সংগত পি এম জে ডি ৰাই একাউণ্টৰ বাবে বেলেঞ্চৰ পৰিমাণ বা লেনদেনৰ মূল্যৰ ওপৰত কোনো বাধা নাই।

বেংকৰ শাখাৰ লগতে এ টি এম/চি ডি এমত নগদ ধন জমা কৰা।

যিকোনো ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে বা কেন্দ্ৰীয়/ৰাজ্য চৰকাৰে জাৰি কৰা চেক জমা/ সংগ্ৰহৰ জৰিয়তে ধন লাভ/জমা।

এমাহত জমা ধনৰ পৰিমাণ বা মূল্যৰ কোনো সীমা নাই।

যিকোনো এ টি এমৰ পৰা (মেট্ৰ' এ টি এমকে ধৰি) উলিওৱাকে ধৰি প্ৰতিমাহে কমেও চাৰিটা বিনামূলীয়াকৈ উলিওৱাৰ অনুমতি দিয়া হৈছে।

২ লাখ টকাৰ অন্তৰ্নিহিত দুৰ্ঘটনা বীমা কভাৰেজৰ সৈতে বিনামূলীয়া RuPay ডেবিট কার্ড।

> যিসকলে পি এম জন ধনক সফল কৰি তোলাৰ বাবে কাম কৰিছে মই সেই সকলো লোকৰ অক্লান্ত পৰিশ্ৰমৰ শলাগ লৈছোঁ। তেওঁলোকৰ এই প্ৰচেষ্টাই ভাৰতীয়সকলৰ জীৱন অধিক উন্নত কৰি তোলাটো সুনিশ্চিত কৰিছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

হৈ পৰিছে।

এনে এটা সময় আছিল যেতিয়া একপ্ৰকাৰৰ ধাৰণা প্ৰচলিত আছিল: "এজন দুখীয়া মানুহে বেংক একাউণ্ট এটা লৈ নো কি কৰিব?"

এটা সময় আছিল যেতিয়া দেশত এটা ধাৰণা আছিল: "এজন দুখীয়া মানুহে বেংক একাউণ্ট লৈ কি কৰিব?" স্বাধীনতাৰ পিছৰ ৬৮ বছৰলৈকে ৬৮ শতাংশ জনসংখ্যা বেংক ব্যৱস্থাৰ বাহিৰত থাকিল। ১৯৬৯ চনত বেংকসমূহ ৰাষ্ট্ৰীয়কৰণৰ পিছতো ২০১৪ চনলৈকে সেই পৰিস্থিতি অব্যাহত আছিল, দেশৰ ৫০ কোটিৰো অধিক দৰিদ্ৰ লোকৰ আনকি প্ৰাথমিক বেংক একাউণ্টৰ অভাৱো আছিল। সমাজৰ এই শ্ৰেণীটোৰে কেতিয়াও বেংকৰ কাষ চাপিবলৈ সাহস কৰা নাছিল; তেওঁলোকৰ বাবে বেংক একাউণ্টৰ মালিক হোৱাটো ধনীসকলৰ বাবে সংৰক্ষিত বিশেষাধিকাৰ হিচাপে গণ্য কৰা হৈছিল। কিন্তু ২০১৪ চনৰ আগষ্টৰ পিছত যেতিয়া বেংকসমূহে তেওঁলোকৰ দুৱাৰমুখত ভৰি দিলে, তেতিয়া বিশ্বাস আৰু আত্মসন্মানৰ ভাব এটা জাগি উঠিল, আৰু তেওঁলোকৰ মনত এটা নতুন আকাংক্ষা শিপাই গ'ল। আজি তেওঁলোকে গৌৰৱেৰে পকেটৰ পৰা এখন RuPay কার্ড উলিয়ায়। এটা সময়ত RuPay কার্ড (ডেবিট কার্ড) ধনী মানুহৰ বাবে আভিজাত্যৰ প্ৰতীক বুলি গণ্য কৰা হৈছিল যদিও জন ধন একাউণ্টৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সেই মানসিকতা সলনি কৰে। জন-ধনৰ বীজে বিশাল বটবৃক্ষ হৈ এনেকুৱা কিমান যে ফল দিছে।

এই আঁচনিয়ে কেৱল বেংকিঙৰ সৰ্বজনীন

১ জন কেন্দ্রিক বিকাশৰ প্রভাৱ

মূল আধাৰ

১ দেশৰ প্রতিটো পৰিয়ালক কমেও এটাকৈ প্রাথমিক ছেভিংছ বেংক একাউণ্ট প্রদান কৰি আর্থিকভাৱে অন্তর্ভুক্ত ভাৰতৰ ভেটি স্থাপন কৰা হয়।

৮৯%+

দেশত বেংক একাউণ্ট থকা প্রাপ্তবয়স্কৰ অংশীদাৰিত্ব, বিশ্ব বেংকৰ গ্ল'বেল ফিনডেস্ক ২০২৫ প্রতিবেদন অনুসৰি।

৩৫%

২০১১ চনত প্রাপ্তবয়স্কৰহে বেংক একাউণ্ট আছিল

২ শূন্য বেলেঞ্চৰ সৈতে একাউণ্ট খোলাৰ সুবিধা, যাৰ ফলত দৰিদ্র নাগৰিককো আনুষ্ঠানিক বেংকিঙৰ সৈতে সংযোগ কৰিব পাৰিলে।

এতিয়া শূন্য বেলেন্স একাউণ্টৰ সংখ্যা ১০%তকৈও কম হৈছে

৩ ডেবিট কার্ড এতিয়া কেৱল এক আভিজাত্যৰ প্রতীক নহয়; অনলাইন পেমেণ্টৰ হাৰো বৃদ্ধি পাইছে।

৪০.৮৯ কোটি

একাউণ্টধাৰীসকলক ৰূপে ডেবিট কার্ড বিনামূলীয়াকৈ প্রদান কৰা হয়, যি ডিজিটেল পেমেণ্টৰ অভ্যাস জনসাধাৰণৰ মাজলৈ লৈ যায়।

৪ দুর্ঘটনা বীমা কভাৰ আৰু অভাৰড্রাফ্টৰ সুবিধাই একাউণ্টধাৰীসকলক অতিৰিক্ত আর্থিক নিৰাপত্তা প্রদান কৰিছে।

৩৪.৭৭ লাখ পি এম জে ডি ৱাই একাউণ্টধাৰীয়ে অভাৰড্রাফ্টৰ সুবিধা লয়; ১০,০০০ টকা পর্যন্ত চর্তসাপেক্ষ অভাৰড্রাফ্টৰ সুবিধা উপলব্ধ।

৫

‘বেংকিং মিত্ৰ’ আৰু বেংকিং নেটৱৰ্কৰ সম্প্রসাৰণে বেংকিং সেৱাক শেষ পৰ্যায়লৈ লৈ গ’ল, যাৰ ফলত গ্ৰাম্য আৰু দুৰ্গম অঞ্চলত বেংকিঙৰ সুবিধা নিশ্চিত হ’ল।

১৩.৫৫

লাখ বেংকিং মিত্ৰই (ব্যৱসায়িক প্ৰতিনিধি) শাখাবিহীন বেংকিং সেৱা আগবঢ়াই আছে।

৪৫.৬৮

কোটি একাউণ্ট গ্ৰাম্য আৰু অৰ্ধনগৰীয়া অঞ্চলত খোলা হৈছে, এয়া মুঠ একাউণ্টৰ প্ৰায় ৭৮%।

৬

সঞ্চয় আৰু আৰ্থিক অনুশাসনৰ সংস্কৃতি গঢ়ি তোলা হৈছে।

৩.১০ লাখ কোটি

টকা জন ধন একাউণ্টত জমা আছে, বাধ্যতামূলক ন্যূনতম বেলেঞ্চৰ প্ৰয়োজনীয়তা নথকা সত্ত্বেও।

> যেতিয়া শেষ প্ৰান্তৰ লোকজন আৰ্থিকভাৱে সংযুক্ত হয়, তেতিয়া সমগ্ৰ দেশ একেলগে আগবাঢ়ি যায়। প্ৰধানমন্ত্ৰী জন ধন যোজনাই ইয়াকে আহৰণ কৰিছে। ই জনসাধাৰণৰ মৰ্যাদা বৃদ্ধি কৰিছে আৰু তেওঁলোকক নিজৰ ভাগ্য নিজে ৰচনা কৰাৰ শক্তি দিছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

প্ৰৱেশ নিশ্চিত কৰাই নহয়, সৰ্বাংগীণ বৃদ্ধিৰ ভেটিও স্থাপন কৰিছে। ইয়াৰ প্ৰথম প্ৰভাৱ হ’ল দেশৰ প্ৰায় প্ৰতিটো পৰিয়াল আৰু নাগৰিক বেংকিং ব্যৱস্থাৰ অংশ হৈ পৰিছে। ই কেৱল বেংক একাউণ্ট নহয়; ই এটা সু-গাঁথনিযুক্ত সুৰক্ষা আৱৰণলৈ বিকশিত হৈছে।

দ্বিতীয় প্ৰভাৱ হ’ল শক্তিশালী ‘জাম ট্ৰিনিটি’ (জন ধন-আধাৰ-ম’বাইল)-এ চৰকাৰী আঁচনিৰ পৰা লাভালাভ হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াকৈ পোৱাটো নিশ্চিত কৰিছিল। ইয়াৰ ফলত দুৰ্নীতি আৰু অপচয় ৰোধ হ’ল। মধ্যভোগীৰ ভূমিকা নাইকিয়া হ’ল, আৰু আৰ্থ-সামাজিক আঁচনিৰ সুবিধাসমূহ পোনপটীয়াকৈ শাৰীৰ শেষ ব্যক্তিজনৰ ওচৰলৈ যাবলৈ ধৰিলে। ই অৰ্থনীতি আনুষ্ঠানিক কৰি বেংকিং ব্যৱস্থালৈ নগদ ধনৰ লেনদেন আনিছিল। আজি জন ধন যোজনাৰ কৃপাত বেংক একাউণ্টলৈ আঁচনিৰ সুবিধাসমূহ প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰাই উজ্জ্বলাৰ অধীনত স্থায়ী গৃহ নিৰ্মাণ, বিনামূলীয়া গেছ চিলিণ্ডাৰ, মুদ্ৰা যোজনাৰ অধীনত জামিনবিহীন ঋণ, পি এম স্বামিত্ব আঁচনি, আৰু অন্যান্য সমাজ কল্যাণমূলক পদক্ষেপে দুখীয়াৰ আত্মবিশ্বাস বঢ়াই দিছে।

তৃতীয় প্ৰভাৱ আছিল সাধাৰণ নাগৰিকৰ বাবে সামাজিক সুৰক্ষা নিশ্চিত কৰা আৰু সৰ্বাংগীণ বৃদ্ধিৰ নতুন যুগৰ সূচনা কৰা। জন ধন একাউণ্টৰ জৰিয়তেহে মানুহে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা



২ প্ৰভাৱ

প্ৰত্যক্ষ লাভ হস্তান্তৰ আৰু শাসনত স্বচ্ছতা

১

জন-ধন-আধাৰ-ম'বাইলৰ (জাম ট্ৰিনিটি) সংযুক্ত শক্তিৰ ফলত চৰকাৰী আঁচনিৰ পৰা ৰাজসাহায্য আৰু সুবিধাসমূহ হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰিব পৰা গ'ল।

৫২.৫০+

লাখ কোটি টকাজন ধন, আধাৰ, আৰু মোবাইল (ট্ৰিনিটি) কাঠামো ব্যৱহাৰ কৰি নাগৰিকসকললৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে।

৯০০+

আঁচনিত ডি বি টিৰ জৰিয়তে হিতাধিকাৰীলৈ পুঁজি হস্তান্তৰ কৰা হয়।

২

মধ্যভোগীৰ ভূমিকা নাইকিয়া কৰা হৈছে, যাৰ ফলত দুৰ্নীতি আৰু অপচয় যথেষ্ট হ্ৰাস পাইছে।

ডি বি টিয়ে সামাজিক সুৰক্ষাৰ হিতাধিকাৰীৰ কভাৰেজ সম্প্ৰসাৰণ কৰিছে।

৩ চৰকাৰী কোষাগাৰে কোটি কোটি টকা সঞ্চয় কৰিছে, যিটো এতিয়া প্ৰকৃত হিতাধিকাৰীৰ হাতলৈ গৈছে।

৫+ ₹

লাখ কোটি টকা ডি বি টিৰ জৰিয়তে ৰাহি হৈছে। ডুপ্লিকেট আৰু ভুৱা গেছৰ সংযোগ আৰু বেচন কার্ড আঁতৰাই পেলোৱাৰ ফলত নকলৰ অন্ত পৰিল।

ডি বি টিৰ বাবেই ৰাজসাহায্য আবণ্টন মুঠ চৰকাৰী ব্যয়ৰ ১৬%ৰ পৰা ৯%লৈ হ্ৰাস পাইছে, যিয়ে ৰাজহুৱা ব্যয়ৰ দক্ষতাত যথেষ্ট উন্নতি সাধন কৰিছে।

৪ পিএম কিষাণ সন্মান নিধি, উজ্জ্বলা যোজনা, আৰু কোভিড সাহায্যৰ দৰে আঁচনিৰ সুবিধাসমূহ পোনপটীয়াকৈ আৰু সময়মতে যোগ্য নাগৰিকৰ কাষ চাপিছিল।

২৩টা কিস্তিত কৃষকসকলক ৪.৪৬ লাখ কোটি টকাতকৈ অধিক ধন বিতৰণ কৰা হৈছে।

সাহায্য প্ৰদান কৰা

৯.৪৪+ কোটি কৃষকক সহায় কৰা হয়, য'ত ২৩% মহিলা হিতাধিকাৰী অন্তৰ্ভুক্ত।

- ২০২০ চনৰ এপ্ৰিল মাহত ২,০০০ টকাৰ প্ৰথম পি এম কিষান কিস্তি মুকলি কৰা হয়, যাৰ ফলত ৮.৭ কোটি কৃষক উপকৃত হয়।
- উজ্জ্বলা যোজনাৰ অধীনত প্ৰায় ১১ কোটি এল পি জি সংযোগ প্ৰদান কৰা হৈছিল, য'ত ৰাজসাহায্য পোনপটীয়াকৈ বেংক একাউণ্টত জমা কৰা হৈছিল।
- কোভিড-১৯ মহামাৰীৰ সময়ত ৩ কোটি বিধৱা আৰু বিশেষভাৱে সক্ষম ব্যক্তিক প্ৰতিজন হিতাধিকাৰীক ১০০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

৫

স্থানীয় ধনদাতাই উচ্চ সুতৰ হাৰ লোৱাৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পোৱাটোৱে ঋণৰ চক্ৰটো ভাঙি পেলোৱাত সহায় কৰিছিল।

- দৰিদ্ৰ আৰু প্ৰান্তীয় লোকসকলে পি এম জে ডি ৱাইৰ জৰিয়তে বেংকিং সুবিধা লাভ কৰে; একাউণ্ট খোলাৰ ফলত অভাৰড্ৰাফ্টৰ সুবিধা আৰু ঋণৰ প্ৰৱেশ সম্ভৱ হৈ উঠে।
- ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত পি এম স্বনিধি আঁচনিৰ অধীনত প্ৰায় ৮৪ লাখ ৰাজপথৰ বিক্ৰেতাই মুঠ ১৭,০০০ কোটি টকাৰ অধিক জামিনবিহীন ঋণ লাভ কৰে।

৬

অৰ্থনীতিক আনুষ্ঠানিকীকৰণ

- নগদ ধন ভিত্তিক অনানুষ্ঠানিক লেনদেন আনুষ্ঠানিক বেংকিং ব্যৱস্থালৈ অনা হয়।
- শূন্য বেলেন্সৰ জন ধন একাউণ্ট খোলাৰ ফলত পূৰ্বতে নিজৰ ধন ঘৰতে ৰখা ব্যক্তিসকলে বেংকত জমা কৰিবলৈ সক্ষম হয়।
- আগতে ধনদাতাসকলে নগদ ধনৰ লেনদেনৰ শোষণ কৰিছিল যদিও অনলাইন পেমেণ্টে এতিয়া তথ্য ৰখাটো সহজ কৰি তুলিছে।

৭

বিত্তীয় লেনদেনৰ তথ্যৰ ধাৰা দৰিদ্ৰ নাগৰিকৰ ক্ৰেডিট স্ক'ৰিং আৰু ভৱিষ্যতৰ ঋণৰ যোগ্যতাত সহায়ক বুলি প্ৰমাণিত হৈছে।

- পূৰ্বতে অনানুষ্ঠানিক খণ্ডত বা দুখীয়া পটভূমিৰ লোকসকলৰ ঋণৰ স্ক'ৰৰ অভাৱ আছিল, যাৰ ফলত তেওঁলোকে বেংকৰ ঋণ লাভ কৰিব পৰা নাছিল; জন ধনে ইয়াৰ পথ প্ৰশস্ত কৰিছে।
- ঋণৰ সুবিধাত প্ৰৱেশ বৃদ্ধিয়ে দৰিদ্ৰ আৰু প্ৰান্তীয় লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিছে; তেওঁলোকে এতিয়া ঋণৰ জৰিয়তে নিজৰ সন্তানৰ শিক্ষাৰ বাবে ধন আগবঢ়াব পাৰিছে।

> আৰ্থিক অন্তৰ্ভুক্তি বৃদ্ধি আৰু কোটি কোটি লোকক বিশেষকৈ মহিলা, যুৱক-যুৱতী, আৰু প্ৰান্তীয় সম্প্ৰদায়ক মৰ্যাদা প্ৰদান কৰাত জন ধন যোজনাই সৰ্বোচ্চ ভূমিকা পালন কৰিছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনাৰ দৰে সামাজিক সুৰক্ষা আঁচনিৰ সুবিধা লাভ কৰিছিল। প্ৰধানমন্ত্ৰী জন ধন যোজনা আৰম্ভ হোৱাৰ সময়ত বহুতে ভাবিছিল কি হ'ব বা কেনেকৈ কাম কৰিব; তথাপিও সময়ৰ লগে লগে দৰিদ্ৰসকলক উপকৃত কৰা একেৰাহে আঁচনিসমূহ ইয়াৰ লগত সংযুক্ত কৰা হ'ল। ইয়াৰ ফলত আৰ্থ-সামাজিক সবলীকৰণৰ ভেটি স্থাপন হ'ল-এনে এক ভেটি যাৰ সম্প্ৰসাৰণ অব্যাহত আছে। দেশৰ কিছুমান মানুহে চৰকাৰী পেঞ্চন লাভ কৰে, প্ৰায় ৩৫ লাখ মানুহে-পূৰ্বে কিমান পেঞ্চন পাইছিল? কোনোৱে সাত টকা, কোনোৱে বিশ টকা, কোনোৱে ১২৫ টকা, বা কোনোৱে ২৫০ টকা।

দেশৰ কিছুসংখ্যক লোকে চৰকাৰী পেঞ্চন লাভ কৰে যদিও, পূৰ্বতে প্ৰায় ৩৫ লাখ লোকে লাভ কৰা অতি সামান্য পৰিমাণৰ পেঞ্চনৰ কথা এবাৰ ভাবি চাওক-কোনোবাই সাত টকা, কোনোবাই বিশ টকা, কোনোবাই ১২৫ টকা অথবা কোনোবাই ২৫০ টকা লাভ কৰিছিল। তদুপৰি, পেঞ্চন সংগ্ৰহ কৰিবলৈ

৩ সামাজিক সুৰক্ষা আৰু সমাৱেশী বৃদ্ধি প্ৰভাৱ

১

জন ধন একাউণ্টসমূহ সামাজিক সুৰক্ষা আঁচনি যেনে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু অটল পেঞ্চন যোজনাৰ সৈতে সংযুক্ত আছিল।

২৭.৮+

কোটি নামভৰ্তি প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাত হয়

- যিকোনো কাৰণত মৃত্যু হ'লে ২ লাখ টকাৰ জীৱন বীমা কভাৰৰ ব্যৱস্থা।
- বাৰ্ষিক প্ৰিমিয়াম ৪৩৬ টকা; বীমা দৈনিক ১.২০ টকাতকৈ কম খৰচত উপলব্ধ।

৫৮.৭৮

কোটিৰ নামভৰ্তি প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাত

- মৃত্যু বা স্থায়ী সম্পূৰ্ণ অক্ষমতাৰ ক্ষেত্ৰত ২ লাখ টকা, আৰু স্থায়ী আংশিক অক্ষমতাৰ ক্ষেত্ৰত ১ লাখ টকাৰ এবছৰৰ দুৰ্ঘটনা বীমা কভাৰ।
- বাৰ্ষিক প্ৰিমিয়াম ২০ টকা (অনুমাণিক একাপ চাহৰ খৰচ) ১৮ৰ পৰা ৭০ বছৰ বয়সৰ ব্যক্তিৰ বাবে এই আঁচনিখন উপলব্ধ।

৯.২৯

কোটি গ্ৰাহকৰ নামভৰ্তি অটল পেঞ্চন যোজনাত।

- চৰকাৰী নিশ্চয়তাৰ দ্বাৰা সমৰ্থিত এইখন প্ৰথম পেঞ্চন আঁচনি, য'ত মাহেকীয়া পেঞ্চন ১,০০০ টকাৰ পৰা ৫,০০০ টকালৈকে নিশ্চিত কৰা হৈছে।
- বয়স আৰু নিৰ্বাচিত পেঞ্চনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ মাহিলী বৰঙনি ৪২ টকাৰ পৰা ১,৪৫৪ টকাৰ ভিতৰত।

২

মুদ্ৰা যোজনাৰ অধীনত ঋণৰ সুবিধাই ক্ষুদ্ৰ উদ্যোগী, বিশেষকৈ মহিলা আৰু গ্ৰাম্য নাগৰিকৰ বাবে আত্মনিয়োগৰ পথ মুকলি কৰি দিলে।

৫৯+

কোটি ঋণ প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত অনুমোদিত।

৪০.৭৬

লাখ কোটি টকা উদ্যমীসকলক প্ৰদান কৰা হৈছে।

৩ **সঞ্চয়ৰ অভ্যাস গঢ়ি তোলাৰ ফলত বিত্তীয় অনুশাসন শক্তিশালী হৈছে আৰু ভৱিষ্যৎ পৰিকল্পনা কৰাৰ সামৰ্থ্য বৃদ্ধি পাইছে।**

ন্যূনতম বেলেঞ্চ ৰখাৰ কোনো বাধ্যবাধকতা নথকাৰ পাছতো ৫৮.৭০ কোটি জন ধন একাউণ্টত প্ৰায় ৩.১০ লাখ কোটি টকা জমা হৈছে।

৪ অসংগঠিত খণ্ডৰ কোটি কোটি শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালে প্ৰথমবাৰৰ বাবে জীৱন আৰু দুৰ্ঘটনা বীমা সুৰক্ষাৰ সুবিধা লাভ কৰিছে।

৩১.৬৫+

কোটিৰো অধিক অসংগঠিত খণ্ডৰ শ্ৰমিকেই -শ্ৰম প'ৰ্টেলত পঞ্জীয়ন কৰিছে, যিয়ে একেটা মঞ্চৰ জৰিয়তে একাধিক আৰ্থ-সামাজিক আঁচনিৰ সুবিধা লাভ কৰাৰ সুযোগ প্ৰদান কৰে।

প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ একাউণ্টধাৰী সকলক প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু অটল পেঞ্চন যোজনাৰ দৰে সামাজিক সুৰক্ষা বীমা আঁচনি সমূহত নামভর্তি কৰিবলৈ উৎসাহিত কৰা হয় আৰু তেওঁলোকক ৰঙনি আগবঢ়োৱাৰ বাবে বিভিন্ন বিকল্প প্ৰদান কৰা হয়।

> জন ধন যোজনাই অগণন ভাৰতীয় লোকৰ বিত্তীয় অন্তৰ্ভুক্তি আৰু সৱলীকৰণ নিশ্চিত কৰি তেওঁলোকক মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিবলৈ সক্ষম কৰি তুলিছে। ইয়াৰ লগতে এই আঁচনিয়ে স্বচ্ছতা বৃদ্ধিতো সহায় কৰিছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

কেৱল পেঞ্চন ল'ৰালৈকে বহুদূৰ যাত্ৰা কৰিবলগীয়া হৈছিল। কিন্তু প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাই এতিয়া এই প্ৰক্ৰিয়াটো সৱল কৰি তুলিছে। প্ৰথমবাৰৰ বাবে অসংগঠিত খণ্ডৰ কোটি কোটি শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালে জীৱন বীমা আৰু দুৰ্ঘটনা বীমাৰ সুৰক্ষা লাভ কৰিছে। কেৱল সেয়াই নহয়, সেয়া মুদ্ৰা যোজনাই হওক বা আন কোনো আঁচনিয়েই হওক, এই বেংক একাউণ্টে আত্মসংস্থাপনৰ নতুন পথ মুকলি কৰিছে।

চতুৰ্থটো প্ৰভাৱ হৈছে দেশৰ মহিলা জন সংখ্যা- 'নাৰীশক্তি'ৰ প্ৰকৃত সৱলীকৰণ, যিয়ে প্ৰথমবাৰৰ বাবে তেওঁলোকক সামাজিক-অৰ্থনৈতিক মৰ্যাদা প্ৰদান কৰিছে। আজি জন ধন একাউণ্টৰ গৰাকী সকলৰ ৫৬ শতাংশতকৈও অধিক মহিলা। নিজৰ নামত বেংক একাউণ্ট থকাৰ ফলত মহিলাসকলে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে পৰিয়ালৰ বিত্তীয় সিদ্ধান্ত গ্ৰহণতো ভূমিকা গ্ৰহণ কৰাৰ সুযোগ লাভ

৪ মহিলাৰ সৱলীকৰণ আৰু প্ৰভাৱ

সামাজিক মৰ্যাদা

১

জন ধন একাউণ্টৰ প্ৰায় ৫৬%ৰ গৰাকী হৈছে মহিলা, যিয়ে মহিলাৰ অৰ্থনৈতিক সৱলীকৰণৰ দিশত এক নিৰ্ণায়ক পদক্ষেপ সূচিত কৰিছে।

২ নিজৰ নামত বেংক একাউণ্ট থকাৰ ফলত মহিলাসকলে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে পৰিয়ালৰ বিত্তীয় সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে।

৩ প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনিসমূহে মহিলাসকলক তেওঁলোকৰ নিজৰ একাউণ্টত পোনপটীয়াকৈ বিত্তীয় সাহায্য লাভ কৰিবলৈ সক্ষম কৰিছে, যাৰ ফলত তেওঁলোকৰ সামাজিক মৰ্যাদা বৃদ্ধি পাইছে।

৩২.৭২

কোটি জন ধন একাউণ্ট মহিলাৰ নামত খোলা হৈছে, যাৰ ফলত তেওঁলোকে নিজৰ সঞ্চয় বেংকত সুৰক্ষিত ভাৱে ৰাখিবলৈ সক্ষম হৈছে।

৭৫%

ঘৰৰ অনুমোদন মহিলা অথবা যুটীয়া মালিকানাৰ ভিত্তিত প্ৰধানমন্ত্ৰী আৱাস যোজনা - গ্ৰামীণৰ অধীনত দিয়া হৈছে। ইয়াৰ উপৰি, বিভিন্ন অন্যান্য আঁচনিত মহিলা সকলক অগ্ৰাধিকাৰ দিয়া হৈছে, যাৰ ফলত বিত্তীয় সাহায্য অথবা ৰাজসাহায্য পোনপটীয়াকৈ তেওঁলোকৰ একাউণ্টত জমা হয়।

মহিলা হিতাধিকাৰী

৬৮% প্ৰধানমন্ত্ৰী মুদ্ৰা ঋণ যোজনাৰ অধীনত

৪৪% প্ৰধানমন্ত্ৰী স্বনিধি যোজনাৰ অধীনত

১০+

কোটিৰো অধিক গ্ৰাম্য পৰিয়ালৰ মহিলা আত্মসহায়ক গোটৰ সৈতে জড়িত আৰু চৰকাৰী সহায় লাভ কৰি আছে।

সুকন্যা সমৃদ্ধি যোজনাৰ একাউণ্টতো ধন জমা কৰা হয়।

> জন ধন যোজনা আমাৰ নাগৰিকসকলক সৱলীকৰণৰ যাত্ৰাৰ এক মাইলৰ খুঁটি। এই পদক্ষেপৰ জৰিয়তে আমি কোটি কোটি লোকক वित्तीय মূলসুঁতিৰ সৈতে সংযুক্ত কৰিছোঁ, যাৰ ফলত বিকশিত হৈ থকা আমাৰ অৰ্থনীতিত প্ৰতিগৰাকী ভাৰতীয়ৰ ন্যায্য স্থান সুনিশ্চিত হৈছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

৪

ক'ভিড-১৯ মহামাৰীৰ সময়ত মহিলা একাউণ্টধাৰী সকলৰ একাউণ্টলৈ তাৎক্ষণিক অনুদানমূলক সাহায্যৰ ধন হস্তান্তৰ কৰা সম্ভৱহৈ উঠিছিল।

৩০,৬০০

কোটি টকা - ক'ভিড-১৯ৰ সময়ত প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ একাউণ্টধাৰী ২০.৪০ কোটি মহিলাক মাহিলী ৫০০ টকাকৈ, একেৰাহে তিনিটা কিস্তিত সাহায্য প্ৰদান কৰা হৈছিল।

১৪.১৭+

কোটিৰো অধিক এল পি জি চিলিণ্ডাৰ - ক'ভিড-১৯ৰ সময়ত প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ জৰিয়তে প্ৰায় ৮ কোটি হিতাধিকাৰীক চিলিণ্ডাৰ প্ৰদান কৰা হৈছিল। এই চিলিণ্ডাৰ সমূহৰ ৰাজসাহায্য হিচাপে ৯,৬৭০ কোটি টকা হিতাধিকাৰীসকলৰ একাউণ্টলৈ পোনপটীয়াকৈ (প্ৰত্যক্ষ লাভ হস্তান্তৰ) হস্তান্তৰ কৰা হৈছিল।

৫

বানপানী আৰু খৰাং আদি অন্যান্য দুৰ্যোগৰ সময়তো ই জৰুৰীকালীন ভাৱে নগদ ধন হস্তান্তৰৰ এক সাজু ব্যৱস্থা হিচাপে পৰিগণিত হৈছিল।

কৰিছে।

সঞ্চয়ৰ মানসিকতা আৰু অভ্যাসে এতিয়া এক আনুষ্ঠানিক বেংকিং ব্যৱস্থাৰ ভেটি লাভ কৰিছে; বেংকৰ জৰিয়তে সঞ্চয় কৰাৰ ফলত এক বিশেষ নিৰাপত্তাৰ অনুভূতি গঢ় লৈ উঠিছে। তদুপৰি, ক'ভিড-১৯ মহামাৰীৰ সময়ত জন ধন ব্যৱস্থাৰ বাবেই কেন্দ্ৰীয় চৰকাৰে মহিলা সকলৰ একাউণ্টলৈ পোনপটীয়াকৈ वित्तीय সাহায্য হস্তান্তৰ কৰিবলৈ সক্ষম হৈছিল। এই একাউণ্ট সমূহ নথকা হ'লে মহামাৰীৰ সময়ত এনে সাহায্য বিতৰণ কৰাটো কিমান কঠিন হ'লহেঁতেন, সেয়া সহজেই কল্পনা কৰিব পাৰি। মূলতঃ, দুৰ্যোগ অথবা সংকটৰ সময়ত সাহায্য প্ৰদানৰ এক গুৰুত্বপূৰ্ণ ব্যৱস্থা হিচাপেজন ধন একাউণ্ট সমূহ পৰিগণিত হৈছে।

পঞ্চমটো আৰু এক গুৰুত্বপূৰ্ণ প্ৰভাৱ হৈছে, অতি দুৰ্গম গাঁও সমূহৰ লোক সকলেও এতিয়া প্ৰযুক্তিগতভাৱে সৱল হৈ উঠিছে। এই বেংক একাউণ্ট সমূহে ডিজিটেল ইউ পি আই ধন পৰিশোধ ব্যৱস্থাত এক বিপ্লৱৰ সূচনা কৰিছে। ৰূপে' কার্ড আৰু মোবাইল বেংকিং ব্যৱস্থাই গ্ৰাম্য অঞ্চল সমূহতো ডিজিটেল সজাগতা বৃদ্ধি কৰিছে। ভাৰতৰ ইউ পি আই এতিয়া বিশ্ব জুৰি স্বীকৃতি লাভ কৰা এক মঞ্চ হিচাপে আত্ম প্ৰকাশ কৰিছে। জন ধন যোজনাই বহুমুখী প্ৰভাৱ সৃষ্টিৰ



৫ ডিজিটেল ভাৰত আৰু প্ৰযুক্তিগত প্ৰভাৱ সবলীকৰণ

১ **জন ধন একাউণ্টে ইউ পি আইকে ধৰি ডিজিটেল পৰিশোধ ব্যৱস্থাৰ বিপ্লৱৰ ভেটি স্থাপন কৰিছে, যাৰ ফলত আজি ভাৰত বিশ্বৰ সৰ্বাধিক সংখ্যক ডিজিটেল লেনদেন সম্পন্ন কৰা দেশ হিচাপে পৰিগণিত হৈছে।**

৫৫.৪৯
কোটি ইউ পি আই ব্যৱহাৰকাৰী।

৩১৪+
লাখ কোটি টকা - ২০২৫-২৬ বৰ্ষত ইউ পি আইৰ জৰিয়তে সম্পন্ন হোৱা লেনদেনৰ মুঠ মূল্য।

১০
খন দেশ - ভূটান, ছিংগাপুৰ, সংযুক্ত আৰব আমিৰশ্বাহী, ফ্ৰান্স, মৰিচাছ, শ্ৰীলংকা, নেপাল, কাটাৰ, গ্ৰীচ আৰু কম্বোডিয়াই ইউ পি আই ব্যৱহাৰ কৰি আছে।

২ ৰূপে' কার্ড আৰু মোবাইল বেংকিং ব্যৱস্থাই গ্ৰাম্য আৰু দুৰ্গম অঞ্চল সমূহতো ডিজিটেল সাক্ষৰতা বিস্তাৰত সহায় কৰিছে।

RuPay

৪০.৮৯
কোটি জন ধন একাউণ্টধাৰীক ৰূপে' ডেবিট কার্ড প্ৰদান কৰা হৈছে।

৬.৩৯
কোটি লোকে প্ৰধানমন্ত্ৰী গ্ৰামীণ ডিজিটেল সাক্ষৰতা অভিযানৰ অধীনত প্ৰশিক্ষণ লাভ কৰিছে।

৩ **জন ধন দৰ্শক এপ্লিকেচনৰ তথ্য অনুসৰি, বেংকিং সেৱাৰ কেন্দ্ৰ সমূহে ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ অঞ্চল সমূহ সামৰি লৈছে।**

২১.৬+
লাখ সেৱা কেন্দ্ৰ - সমগ্ৰ দেশত।

৬+
লাখ গাঁৱে (৯৯.৯২%) - ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বেংক শাখা, ইণ্ডিয়া পোষ্ট পেমেণ্টছ বেংক অথবা বেংক মিত্ৰৰ জৰিয়তে বেংকিং সেৱাৰ সুবিধা লাভ কৰিছে।

ৰাষ্ট্ৰীয় আৰু বিশ্বব্যাপী স্বীকৃতি

১

ইয়াক বিশ্ব বেংক আৰু গিনিজ ৰৰ্ল্ড ৰেকৰ্ডছে বিশ্বৰ সৰ্ববৃহৎ বিত্তীয় অন্তৰ্ভুক্তি অভিযান হিচাপে স্বীকৃতি দিছে।

১৮,০,৯৬,১৩০

টা একাউণ্ট - জন ধন যোজনাৰ অভিযানৰ অধীনত ২০১৪ চনৰ ২৩-২৯ আগষ্টলৈকে মাত্ৰ এটা সপ্তাহত খোলা হৈছিল; এই কৃতিত্ব গিনিজ বুক অৱ ৰৰ্ল্ড ৰেকৰ্ডছতো লিপিবদ্ধ হৈছিল।

২

এই আঁচনি খনে অন্যান্য উন্নয়নশীল দেশৰ বাবে অন্তৰ্ভুক্তিমূলক বিত্তীয় ব্যৱস্থাৰ এক আদর্শ হিচাপে আত্মপ্রকাশ কৰিছে।

> প্ৰধানমন্ত্ৰী জন ধন যোজনা এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰা এক পদক্ষেপ হিচাপে প্ৰমাণিত হৈছে। ই দৰিদ্ৰতা দূৰীকৰণৰ অসংখ্য কাৰ্যসূচীৰ ভেটি হিচাপে কাম কৰি কোটি কোটি লোকক উপকৃত কৰিছে। এই আঁচনিখনে বহু পৰিয়ালৰ ভৱিষ্যৎ সুৰক্ষিত কৰিছে। আঁচনিখনৰ বৃহৎ সংখ্যক হিতাধিকাৰী হৈছে মহিলা আৰু গ্ৰাম্য অঞ্চলৰ বাসিন্দা।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

বাবে এক গুৰুত্বপূৰ্ণ ভেটি হিচাপে কাম কৰিছে।

ফল স্বৰূপে, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু অন্যান্য বিশ্বব্যাপী প্ৰতিষ্ঠান সমূহে বেংক একাউণ্ট আৰু বিত্তীয় সেৱাৰ সুবিধা লাভৰ পৰিসৰ সম্প্ৰসাৰণ কৰাৰ বাবে এই আঁচনিখনক প্ৰশংসা কৰিছে। এই আঁচনি খনে গিনিজ ৰৰ্ল্ড ৰেকৰ্ডছৰ পৰাও বিশেষ স্বীকৃতি লাভ কৰিছে। বিশ্বৰ সৰ্ববৃহৎ বিত্তীয় অন্তৰ্ভুক্তি অভিযানৰ মূল আধাৰ হিচাপে জন ধন যোজনা এতিয়া বহু উন্নয়নশীল দেশৰ বাবে এক আদর্শ হিচাপে পৰিগণিত হৈছে।

জনসাধাৰণৰ আন্দোলন, যি হৈ পৰিল জীৱন ৰেখা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ১২ বছৰীয়া এই যাত্ৰাৰ সময়ছোৱাত জন ধন যোজনা কেৱল এখন বিত্তীয় আঁচনি হৈ থকা নাই; ই সামাজিক ন্যায়, স্বচ্ছ শাসন আৰু অন্তৰ্ভুক্তিমূলক বিকাশৰ এক প্ৰতীকত পৰিণত হৈছে। ভাৰতক বেংকিং ব্যৱস্থাৰ পৰা বৃহৎ পৰিমাণে বঞ্চিত এখন দেশৰ পৰা সম্পূৰ্ণ ৰূপে বেংকিং সেৱাৰ আওতালৈ অহা এখন দেশলৈ ৰূপান্তৰিত কৰা এই যাত্ৰাই কোটি কোটি নাগৰিকৰ বাবে মর্যাদা, সুৰক্ষা আৰু আত্মনির্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে। নিঃসন্দেহে,জন ধন যোজনাৰ সফলতা আৰু বহুমাত্ৰিক প্ৰভাৱৰ দ্বাৰা শক্তিশালী হৈ সুশাসনৰ পৰা আত্মনির্ভৰশীলতাৰ এই যাত্ৰাই ‘নতুন ভাৰত’ৰ আদর্শক আত্মস্থ কৰি ‘বিকশিত ভাৰত’ গঢ়াৰ পথ প্ৰশস্ত কৰিছে।

জিন্দৰ পৰা প্ৰায় ১৪,৭০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ

ৰে'ল পৰিবহণৰ ভৱিষ্যৎ
হাইড্র'জেন ৰে'ল

ভাৰতৰ পৰিৱেশ-অনুকূল যাতায়াত ব্যৱস্থাৰ দিশত উল্লেখযোগ্য অগ্ৰগতি সাধন হৈছে। ১,১৫৫ কিলোমিটাৰ দৈর্ঘ্যৰে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ মেট্র' ৰে'ল নেটৱৰ্ক হওক, ২৩,০০০খন বৈদ্যুতিক বাছ চলাচলৰ অনুমোদন হওক, অথবা নতুনকৈ নিৰ্মাণ কৰা দ্রুতগামী পথসমূহৰ সম্প্রসাৰিত নেটৱৰ্কেই হওক-সেউজ আন্তঃগাঁথনিৰ ক্ষেত্রত গুৰুত্বপূৰ্ণভাৱে গতি বৃদ্ধি পাইছে। এই পদক্ষেপৰ অংশ হিচাপে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ১৭ জুলাইত হাৰিয়ানাৰ জিন্দ আৰু সোণিপতৰ মাজত ভাৰতৰ প্রথমখন স্বদেশী হাইড্র'জেন ৰে'লৰ শুভাৰম্ভ কৰে। এয়া কেৱল এখন ৰে'ল নহয়; ই আত্মনিৰ্ভৰ ভাৰত, সেউজ শক্তি আৰু আধুনিক ৰে'ল ব্যৱস্থাৰ এক নতুন পৰিচয়ৰ প্রতিনিধিত্ব কৰে...

ৰে'ল হওক বা পথেই হওক, যোগাযোগ প্রকল্পসমূহে জনসাধাৰণৰ সুবিধা বৃদ্ধি কৰাৰ লগতে উন্নয়নৰ গতি বহুগুণে বৃদ্ধি কৰে। সেইবাবেই চৰকাৰে পৰিবহণ আৰু সংযোগীতাৰ ওপৰত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে। হাৰিয়ানাৰ জিন্দত দেশৰ প্রথমখন হাইড্র'জেন ৰে'লৰ শুভাৰম্ভ কৰাৰ লগতে কেইবাটাও উন্নয়নমূলক প্রকল্পৰ উদ্বোধন কৰি প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে কয় যে এই হাইড্র'জেন ৰে'লখন আন ৰে'লসমূহতকৈ সম্পূৰ্ণ পৃথক। ইয়াৰ বাবে এক পৃথক ব্যৱস্থা আৰু পৃথক আন্তঃগাঁথনিৰ প্রয়োজন। ইয়াত জিন্দত ইয়াৰ বাবে প্রয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে। লগতে অদূৰ ভৱিষ্যতে হাইড্র'জেন ৰে'লৰ বাবে ইয়াত অধিক আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। হাইড্র'জেন ৰে'ল নেটৱৰ্কৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ নতুন কাৰখানাও স্থাপন কৰা হ'ব। এই প্রকল্পৰ অৰ্থ হৈছে, এই ৰে'লখনে হাৰিয়ানাৰ যুৱসমাজৰ বাবে বহু নতুন নিয়োগৰ সুযোগ

> ভাৰতৰ হাইড্র'জেন ৰে'ল কেৱল ধোঁৱা বিহীনেই নহয়; ই 'মেক ইন ইণ্ডিয়া'ৰো এক উজ্জ্বল নিদৰ্শন। এই হাইড্র'জেন ৰে'লখন ভাৰতীয় অভিযন্তা সকলে নক্সা প্রস্তুত কৰিছে আৰু ভাৰতীয় এটা প্রতিষ্ঠানে নিৰ্মাণ কৰিছে।
>
> *নৰেন্দ্র মোদী, প্রধানমন্ত্রী*

আটাইতকৈ শক্তিশালী হাইড্রজেন চালিত ৰে'লগাড়ী



৩,২০০

অশ্বশক্তিৰে এইখন হৈছে বিশ্বৰ আটাইতকৈ দীঘল আৰু শক্তিশালী হাইড্রজেন চালিত ৰে'লগাড়ী।

- পৃথিৱীত হাইড্রজেন চালিত ৰে'লগাড়ীৰ উত্থান ঘটিছিল মাত্ৰ ৭-৮ বছৰ মানৰ আগতে। সম্প্ৰতি বিশ্বৰ মাত্ৰ ৩ বা ৪খন দেশৰহে হাইড্রজেন চালিত ৰে'লগাড়ী চলোৱাৰ সামৰ্থ্য আছে।

একবিংশ শতিকাৰ ৰে'ল ব্যবস্থাৰ সংজ্ঞা নিৰ্ধাৰণ কৰা

ভাপ ইঞ্জিনে ১৯ শতিকাৰ ৰে'লক সংজ্ঞায়িত কৰিছিল। ২০ শতিকাৰ সংজ্ঞা ডিজেল আৰু বৈদ্যুতিক ৰে'লৰ দ্বাৰা কৰা হৈছিল আৰু এতিয়া, একবিংশ শতিকাৰ ৰে'ল ব্যবস্থা হাইড্র'জেন চালিত ৰে'লৰ দ্বাৰা সংজ্ঞায়িত কৰা হৈছে।

ৰে'ল নেটৱৰ্কৰ বৈদ্যুতিকীকৰণ

১৯২৫ চনৰ পৰা ২০১৪ চনলৈ প্ৰায় ৯০ বছৰত দেশৰ ৰে'ল নেটৱৰ্কৰ মাত্ৰ ৩০%তহে বৈদ্যুতিকীকৰণ কৰা হৈছিল। কিন্তু বিগত ১২টা বছৰত ভাৰতৰ প্ৰায় ৯৯% ৰে'ল নেটৱৰ্কৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে।

পাঁচটা ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সংযুক্ত জিন্দ

জিন্দ এতিয়া পাঁচটা ৰাষ্ট্ৰীয় ঘাইপথেৰে সংযুক্ত জিলাত পৰিণত হৈছে। এনে সংযোগে স্থানীয় কৃষক আৰু পশুপালকসকলৰ বাবে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰধান বজাৰসমূহলৈ পৰিবহণ কৰাত সহজ আৰু কম ব্যয়সাপেক্ষ কৰি তুলিব। ই উদ্যোগ আৰু পৰ্যটনক উন্নীত কৰিব, যাৰ ফলত বৃহৎ সংখ্যক নতুন চাকৰিৰ সুযোগ সৃষ্টি হ'ব।

হাৰিয়ানালৈ প্ৰধানমন্ত্ৰী মোদীৰ উন্নয়নমূলক প্ৰকল্পৰ উপহাৰ

- জিন্দ আৰু সোণীপতৰ মাজত চলিব লগা দেশৰ প্ৰথমখন হাইড্রজেন চালিত ৰে'লগাড়ীৰ যাত্ৰাৰম্ভ ঘোষণা কৰা হয়।
- হাৰিয়ানাত ১২,৪৭০ কোটি টকাতকৈয়ো অধিক মূল্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়।
- প্ৰায় ৯,৬৮০ কোটি টকা ব্যয়ৰে বিকশিত ১৫৭.৯২ কিলোমিটাৰ দৈৰ্ঘ্যৰ, চাৰিলেনযুক্ত, সম্পূৰ্ণ অভিগমনয়োগ্য দিল্লী-অমৃতসৰ-কাটৰা এক্সপ্ৰেছৱেটো ৰাষ্ট্ৰ নামত উছৰ্গা কৰা হয়।
- ৩৩.৮১ কিলোমিটাৰ দৈৰ্ঘ্যৰ, চাৰিলেনযুক্ত, আংশিকভাৱে প্ৰৱেশ নিয়ন্ত্ৰিত আম্বালা কালা অম্ব ঘাইপথ (৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথত)-ৰ উদ্বোধন কৰা হয়।
- ৪০.৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ জিন্দ গোহানা গ্ৰীণফিল্ড হাইৱে (এন এইছ ৩৫২ এ) উদ্বোধন কৰে।
- হান্সি-বাৱৱালা ব্ৰাউনফিল্ড হাইৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কুৰুক্ষেত্ৰত উৰণ ৰে'লপথ উদ্বোধন কৰা হয়।
- পণ্ডিত নেকিৰাম শৰ্মা চৰকাৰী চিকিৎসা মহাবিদ্যালয় (ভিৱানী) আৰু মহৰ্ষি চ্যৱন চিকিৎসা মহাবিদ্যালয় আৰু ৰাও তুলাৰাম চিকিৎসালয় (কোৰিয়াৰাছ, নৱনৌল)কে প্ৰধান চিকিৎসা প্ৰতিষ্ঠানসমূহ ৰাষ্ট্ৰৰ নামত উছৰ্গা কৰা হয়।
- কুৰুক্ষেত্ৰত শিখ সংগ্ৰহালয়ৰ আধাৰশিলা স্থাপন কৰি অঞ্চলটোৰ সাংস্কৃতিক আন্তঃগাঁথনি আৰু অধিক সমৃদ্ধ কৰাৰ প্ৰয়াস কৰা হয়।

সৃষ্টি কৰিব। হাৰিয়ানাৰ যুৱক-যুৱতীসকলৰ বাবে বহুতো নতুন কৰ্মসংস্থাপনৰ সুযোগ। মুম্বাই আৰু থানেৰ মাজত হোৱা ঐতিহাসিক প্ৰথম ৰে'ল যাত্ৰাক হাইড্র'জেন চালিত ৰে'লৰ সৈতে তুলনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে হাইড্র'জেন চালিত ৰে'লগাড়ীৰ লগতে জিন্দৰ নামো ভৱিষ্যত প্ৰজন্মৰ বাবে উন্নত সেউজ পৰিবহণৰ প্ৰতীক হিচাপে ইতিহাসৰ পৃষ্ঠাত খোদিত হ'ব। জিন্দ, যিখন জিলা ইমানবোৰ ঘাইপথেৰে সংযুক্ত, এই পৰ্যায়ৰ পৰাই তিনিটা ডাঙৰ প্ৰকল্প আৰম্ভ কৰা হৈছে। দিল্লী-অমৃতসৰ-কাটৰা এক্সপ্ৰেছৱেৰ হাৰিয়ানা অংশৰ উদ্বোধন কৰা হয়। জিন্দ-গোহনা ৰাষ্ট্ৰীয় ঘাইপথ ৰাষ্ট্ৰৰ নামত উছৰ্গা কৰা হৈছে। তদুপৰি আম্বালা-কালা অম্ব সংযোগী চাৰিলেনযুক্ত পথটোৱে হাৰিয়ানা আৰু হিমাচল উভয়ৰে বাসিন্দাসকলৰ বাবে বিপুল সুবিধা কঢ়িয়াই আনিব।

প্ৰযুক্তি, উদ্ভাৱন, আৰু স্বাস্থ্যসেৱা

বিকশিত ভাৰতৰ বাবে এক শক্তিশালী আধাৰ

চণ্ডীগড় কেৱল এখন মহানগৰেই নহয় বৰঞ্চ ই হৈছে ভাৰতৰ উন্নয়নৰো আৰ্হি। এই প্ৰচেষ্টা অব্যাহত ৰাখি উন্নয়নক নতুন গতি প্ৰদান কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৭ জুলাইত চণ্ডীগড়ত ৪,৭০০ কোটি টকা ব্যয় সাপেক্ষ স্বাস্থ্যসেৱা, শিক্ষা, আৰু পথৰ দৰে খণ্ড সামৰি লোৱা এলানি আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বহুকেইটা প্ৰকল্প ৰাষ্ট্ৰৰ নাম উৎসৰ্গিত কৰে। তেখেতে জলন্ধৰ, পঞ্জাৱলৈও উন্নয়নৰ পদক্ষেপ সম্প্ৰসাৰিত কৰে...

চণ্ডীগড় এনে এখন মহানগৰ য'ত শিক্ষা, অভিযান্ত্ৰিক, চিকিৎসা বিজ্ঞান, গৱেষণাৰ সৈতে জড়িত প্ৰধান প্ৰতিষ্ঠানসমূহৰ সহাৱস্থান আছে। তেনেই কম সংখ্যক চহৰতহে এনে সম্ভাৱনা বিৰাজমান হোৱা দেখা যায়। ভৱিষ্যতে এই প্ৰতিষ্ঠানসমূহে নতুন প্ৰযুক্তি, স্বাস্থ্যসেৱা, ষ্টাৰ্টআপ, আৰু উদ্ভাৱনৰ মুখ্য কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিবগৈ পাৰে। চণ্ডীগড়ত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে 'বিকশিত ভাৰত'ৰ দিশে হোৱা যাত্ৰাৰ বাবে ভৱিষ্যতদৰ্শী প্ৰযুক্তি, পৰিবহণ, আৰু স্বাস্থ্যসেৱা আধুনিক মানসিকতাৰে আগবঢ়াই নিয়াৰ প্ৰয়োজন আছে। কেৱল বৰ্তমানৰ প্ৰজন্মই নহয়, ভৱিষ্যত প্ৰজন্মও লাভৱান হ'ব পৰা ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। সময়ৰ লগে লগে শক্তিশালী হৈ উঠা প্ৰতিষ্ঠান আমি গঢ়ি তুলিব লাগিব।

> ৰোগৰ চিকিৎসাৰ সমান্তৰালকৈ আজি প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ ক্ষেত্ৰতো সমানেই গুৰুত্ব দিয়া হৈছে। পোষণ অভিযান, মিছন ইন্দ্ৰধনুষ, যোগ, এইচ পি ভি টিকাকৰণ, ইউ-উইন প্লেটফৰ্মৰ জৰিয়তে লাখ লাখ মানুহৰ জীৱন ৰক্ষা কৰা হৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

প্ৰতিদিনেই সফলতাৰ নতুন শিখৰত উপনীত হৈছে

- ২০১৪ চনৰ পৰা দেশত ১৫খন নতুন এইমছ-লৈ অনুমোদন জনোৱা হৈছে।
- আজিৰ তাৰিখত দেশত প্ৰায় ১.৭৫ লাখ আয়ুষ্মান আৰোগ্য মন্দিৰ কাৰ্যক্ষম হৈ আছে।
- দেশৰ ৯০ শতাংশতকৈয়ো অধিক প্ৰসৱ চিকিৎসা প্ৰতিষ্ঠানত হৈছে।

হ্ৰাস পাইছে প্ৰসূতিৰ মৃত্যুৰ হাৰ ৮৬%

- দেশত ৪৮ কোটিৰো অধিক টেলিমেডিচিন পৰামৰ্শ প্ৰদান কৰা হৈছে।
- দেশত যক্ষ্মাৰোগ চিকিৎসাই সামৰি লোৱা পৰিসংখ্যাই ৯০%ৰ সীমা অতিক্ৰম কৰিছে।
- বিশ্ব স্বাস্থ্য সংস্থা-ৰ এক প্ৰতিবেদন অনুসৰি যক্ষ্মাৰ সংক্ৰমণো ১০ বছৰত ২১ শতাংশ হ্ৰাস পাইছে।

চণ্ডীগড়ে লাভ কৰিছে উন্নয়নৰ উপহাৰ

- স্বাস্থ্যসেৱা, শিক্ষা, আৰু পথ আন্তঃগাঁথনিৰ সৈতে জড়িত ৪,৭০০ কোটি টকাতকৈয়ো অধিক মূল্যৰ এলানি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়।
- চণ্ডীগড়ৰ পি জি আই এম ই আৰ-ত উন্নত মাতৃ আৰু শিশু স্বাস্থ্যকেন্দ্ৰ আৰু উন্নত স্নায়ুবিজ্ঞান কেন্দ্ৰৰ উদ্বোধন।
- পি এম-এ ভি এম-ৰ অধীনত পি জি আই এম ই আৰ-ত ১৫০ বিছনাযুক্ত অত্যাধুনিক ক্ৰিটিকেল কেয়াৰ ব্লকৰ আধাৰশিলা স্থাপন।
- চণ্ডীগড়ৰ শিক্ষানুষ্ঠানৰ সৈতে জড়িত বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন।
- আম্বালা-চণ্ডীগড় গ্ৰীণফিল্ড ঘাইপথ (এন এইচ-২০৫এ)-ৰ পি আৰ-৭ স্পাৰৰ আধাৰশিলা স্থাপন।

জলন্ধৰৰ বাবে উন্নয়নৰ উপহাৰ

৫,৪৭০

কোটি টকাতকৈও অধিক মূল্যৰ ৰে'ল আৰু পথ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন

- অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত জলন্ধৰ কেণ্ট-কে ধৰি ৭৫টা পুনৰ উন্নীত ৰে'লৱে ষ্টেছনৰ উদ্বোধনী।
- কাৰ্টলি-আম্বালা ৰে'লসেৱা আৰু অমৃতসৰ (চেহাৰতা)-বাৰাণসী ৰে'লসেৱাৰ ফ্লেগ অফ।

নংগল বান্ধ-তালৰাৰা মুকেৰিয়ান নতুন ৰে'লপথ প্ৰকল্পৰ অধীনত প্ৰায়

৮৩০

কোটি টকা ব্যয়ৰে নিৰ্মিত দৌলতপুৰ চৌক কাৰ্টলি নতুন ৰে'লপথৰ উদ্বোধন।

- পঞ্জাৰৰ পথ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৩,০৭০ কোটি টকাতকৈয়ো অধিক মূল্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।
- নতুন চাৰিলেনযুক্ত দিল্লী-অমৃতসৰ কাটৰা এক্সপ্ৰেছৱেৰ ৩০.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ 'পেকেজ-৬' উদ্বোধন।
- ২৫.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছয় লেনযুক্ত গ্ৰীণফিল্ড দক্ষিণ লুধিয়ানা বাইপাছৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন।

যোৱা কেই বছৰমানৰ পৰা চণ্ডীগড়ত আধুনিক প্ৰযুক্তিক একত্ৰিত কৰিবলৈ স্মাৰ্ট ট্ৰেফিক চিষ্টেম, স্মাৰ্ট পাৰ্কিং, আৰু ডিজিটেল গভৰ্নেন্স-ৰ দৰে কেইবাটাও প্ৰকল্প ৰূপায়ণ কৰা হৈছে। এই অভিযানত ২৫০০ কোটিৰো অধিক ধন ব্যয় কৰা হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে আজিও ইয়াত স্বাস্থ্য, শিক্ষা, আৰু আন্তঃগাঁথনিৰ সৈতে জড়িত নতুন উন্নয়নমূলক কামৰ শুভাৰম্ভ কৰা হৈছে।

বিকশিত গাঁও

বিকশিত ভাৰতৰ বাবে এক শক্তিশালী আধাৰ

বিকশিত গাঁওসমূহ হৈছে বিকশিত ভাৰতৰ এক মূল আধাৰ স্তম্ভ। বিকশিত ভাৰত গঢ়াৰ দিশত আৰম্ভ হোৱা যাত্ৰা এক গুৰুত্বপূৰ্ণ পৰ্যায়ৰ মাজেৰে পাৰ হৈ আগবাঢ়িছে, আৰু এইক্ষেত্ৰত যুৱক-যুৱতীসকলে উল্লেখযোগ্য ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ জুলাইত 'সজীৱ গাঁও কাৰ্যক্ৰম'ৰ অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ মন্তব্য কৰে যে যেতিয়া দেশৰ যুৱক-যুৱতীসকলে তৃণমূল পৰ্যায়ৰ সৈতে সংযোগ স্থাপন কৰে, তেতিয়া তেওঁলোকে বিকশিত ভাৰতৰ দৃষ্টিভংগী আৰু অধিক বিস্তৃত কৰে

কেইবছৰমান আগতে 'মেৰা যুৱ ভাৰত' (মাই ভৰত) মঞ্চ স্থাপন কৰা হৈছিল। দেশৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ যুৱক-যুৱতীয়ে ইয়াত যোগদান কৰিছে, আৰু আজি 'মাই ভাৰত'ৰ স্বেচ্ছাসেৱকসকলে দেশজুৰি প্ৰশংসনীয় কাম কৰি আছে। 'বিকশিত ভাৰত আলাপ'ৰ পৰা আৰম্ভ কৰি 'সজীৱ গাঁও কাৰ্যসূচী'লৈকে যুৱক-যুৱতীসকলে নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰিছে। 'সজীৱ গাঁও কাৰ্যসূচী'ৰ অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ যুৱক-যুৱতীসকলে যিমানেই সীমান্তৱৰ্তী গাঁওসমূহৰ বিষয়ে জানিব সিমানেই ভাৰতক সহজে বুজিব পাৰিব। দেশৰ প্ৰতিটো কোণৰ সৈতে তেওঁলোকে অনায়াসে সংযোগ স্থাপন কৰিব, আৰু এই প্ৰচেষ্টাই নতুন শক্তি প্ৰদান কৰিব। সীমান্তৱৰ্তী অঞ্চলসমূহত পৰ্যটনৰ সম্ভাৱনাক

> "আজিৰ যুৱক-যুৱতীসকল উন্নত ভাৰতৰ নেপথ্যৰ শক্তি আৰু ইয়াৰ সৰ্বাধিক লাভান্বিত হিতাধিকাৰী হৈ উঠিছে। গতিকে যেতিয়া যুৱশক্তিয়ে দেশৰ প্ৰত্যাহ্বান আৰু সমাধানৰ সৈতে পোনপটীয়াকৈ সংযোগ স্থাপন কৰিব তেতিয়া ভৱিষ্যত নিঃসন্দেহে উজ্জ্বল হ'বই।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

অংশগ্ৰহণকাৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ ভাৰ্চুৱেল বাৰ্তালাপ

এই অনুষ্ঠানত দেশৰ ২৪৫খন জিলাৰ ৫,০০০+ 'মাই ভাৰত' স্বেচ্ছাসেৱকে ভাৰ্চুৱেল মাধ্যমেৰে অংশগ্ৰহণ কৰে।

২.৩০+

কোটি যুৱক-যুৱতী 'মাই ভাৰত' পদক্ষেপৰ দ্বাৰা উপকৃত হৈছে, আনহাতে ২.৮৬ লাখ যুৱক-যুৱতীয়ে দেশজোৰা কুইজত অংশগ্ৰহণ কৰিছে।

৪০৩ গৰাকী স্বেচ্ছাসেৱকক সীমান্তৱৰ্তী গাঁও পৰিদৰ্শন কৰিবলৈ নিৰ্বাচিত কৰা হয়।

ৰাষ্ট্ৰৰ প্ৰথম গাঁও: ভাৰতৰ সীমান্তৱৰ্তী গাঁও

ভাৰতৰ সীমান্তৱৰ্তী গাঁওসমূহক ৰাষ্ট্ৰৰ "প্ৰথম গাঁও" হিচাপে স্বীকৃতি দি উন্নত ভাৰতৰ যাত্ৰাত সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰীৰয়ে গ্ৰহণ কৰা দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ উদ্দেশ্যে 'মাই ভাৰত'ৰ জৰিয়তে ৰূপায়ণ কৰা 'বিকশিত সজীৱ গাঁও কাৰ্যসূচী' যুগুতোৱা হৈছে।

২টা পৰ্যায়ত সংগঠিত হৈছে

২০২৬ চনৰ ৪ জুনৰ পৰা ৩০ জুনলৈকে দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা বিকশিত সজীৱ গাঁও কাৰ্যসূচী ২০২৬ চনত সমগ্ৰ লাডাখ, হিমাচল প্ৰদেশ, আৰু উত্তৰাখণ্ডৰ ৭৪খন 'সজীৱ গাঁও'ক সামৰি লোৱা হৈছিল। প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক প্ৰতিনিধিত্ব কৰা ৪০০ৰো অধিক যুৱ অংশগ্ৰহণকাৰীক দেশজোৰা অনলাইন কুইজ প্ৰতিযোগিতাৰ জৰিয়তে নিৰ্বাচিত কৰা হৈছিল, য'ত তিনি লাখৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছিল।

কাৰ্যসূচীৰ অধীনত কাৰ্যকলাপৰ এক পৰিসৰ

বিকশিত সজীৱ গাঁও কাৰ্যসূচী ২০২৬-ৰ অধীনত অংশগ্ৰহণকাৰীসকলে স্থানীয় জনগোষ্ঠীসমূহৰ সৈতে সহবাস কৰিছিল আৰু স্বচ্ছতা অভিযান, চৰকাৰী আঁচনিৰ সজাগতা অভিযান, যুৱ সন্মিলন, সাংস্কৃতিক বিনিময় কাৰ্যসূচী, বাগিচা অভিযান, 'মিনি পঞ্চায়ত' মডেল অনুকৰণমুলক প্ৰদৰ্শন, স্থানীয় শিল্পীৰ সৈতে মত বিনিময় আৰু কৌশলগত গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসমূহ ভ্ৰমণৰ দৰে বিভিন্ন কাৰ্যসূচীত জড়িত হৈছিল। এই কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক ভাৰতৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ আৰ্থ-সামাজিক পৰিৱেশ, সাংস্কৃতিক ঐতিহ্য, আৰু উন্নয়নমূলক আকাংক্ষাৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও ই সম্প্ৰদায়ৰ অংশগ্ৰহণ, জাতীয় ঐক্য, আৰু সীমান্তৱৰ্তী গাঁওসমূহৰ কৌশলগত তাৎপৰ্য হৃদয়ংগমৰ সুযোগ প্ৰদান কৰিছিল।

বিকশাই তুলিছে। নিৰ্জন হৈ পৰা গাঁওবোৰ আকৌ এবাৰ কাৰ্যকলাপেৰে উচ্চল হৈ উঠিছে। ছোৱালীবোৰে স্কুল-কলেজত পঢ়িবলৈ লৈছে। গুণগত শিক্ষা আৰু ভাল উপাৰ্জনৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তোলা হৈছে। তদুপৰি, সজীৱ গাঁও কাৰ্যসূচী-য়ে সীমান্তৱৰ্তী গাঁওসমূহত এই উন্নয়নৰ গতি ত্বৰান্বিত কৰিছে। এই অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ দৃঢ় বিশ্বাস দোহাৰি কয় যে একবিংশ শতিকাৰ পৃথিৱীখন গঢ় দিয়াটো হৈছে ভাৰতৰ যুৱক-যুৱতীসকলৰ নিয়তি; এয়াই হৈছে তেওঁলোকৰ প্ৰকৃত ভাগ্য।

ৰাষ্ট্ৰীয় মহাকাশ দিৱস ২৩ আগষ্ট

ভাৰতৰ প্ৰথমখন ব্যক্তিগতখণ্ডৰ কক্ষপথীয় উৎক্ষেপণ যান

‘বিক্ৰম-১’ৰ সফল উৎক্ষেপণ

লাখ লাখ ভাৰতীয়ৰ দক্ষতা আৰু প্ৰতিভাৰ দ্বাৰা পৰিচালিত দেশখনে বিশ্ব মহাকাশ খণ্ডত নিজৰ বাবে এক শক্তিশালী পৰিচয় খোদিত কৰিছে। ইয়াৰ আঁৰৰ এটা ডাঙৰ কাৰক হ’ল মহাকাশ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কঢ়িয়াই অনা উল্লেখযোগ্য পৰিৱৰ্তন। চৰকাৰৰ প্ৰগতিশীল নীতিক ধন্যবাদ যে আজিৰ যুৱক-যুৱতী, ব্যক্তিগত কোম্পানী, আৰু ষ্টাৰ্টআপসমূহে অপৰিসীম সুযোগ লাভ কৰিছে। ইয়াৰ এক উজ্জ্বল উদাহৰণ হ’ল ভাৰতৰ প্ৰথমখন ব্যক্তিগত উৎক্ষেপণ যান ‘বিক্ৰম-১’ৰ সফল উৎক্ষেপণ। ভাৰতে যে বিশ্ব মহাকাশ অৰ্থনীতিৰ এক প্ৰধান আৰু মূল খেলুৰৈ হিচাপে দ্ৰুতগতিত আত্মপ্ৰকাশ কৰিছে ই হৈছে তাৰেই ই এক সাক্ষ্য হিচাপে থিয় দিছে যে এক নিদৰ্শন।

‘বিক্ৰম-১’ৰ সফল উৎক্ষেপণে এটা অভিযানৰ সফলতাতকৈও অধিক তাৎপৰ্য বহণ কৰিছে; ই ভাৰতীয় উদ্ভাৱন, সাহসী নীতি সংস্কাৰ আৰু শক্তিশালী ৰাজহুৱা-ব্যক্তিগত খণ্ডৰ সহযোগিতাৰ বৈশিষ্ট্যপূৰ্ণ এক নতুন যুগৰ আৰম্ভণিক সূচিত কৰিছে। মহাকাশ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে এই অভিযানে আন্তঃৰাষ্ট্ৰীয় মহাকাশ খণ্ডত বিশ্বাসযোগ্য, নিৰ্ভৰযোগ্য আৰু প্ৰযুক্তিগতভাৱে উন্নত অংশীদাৰ হিচাপে ভাৰতৰ স্থিতি আৰু অধিক শক্তিশালী কৰিছে।

‘বিক্ৰম-১’ৰ সফল উৎক্ষেপণৰ ভিডিঅ’ চাবলৈ কিউ আৰ ক’ড স্কেন কৰক।

ৰাষ্ট্ৰীয় মহাকাশ দিৱস ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে এক উৎসাহ আৰু প্ৰেৰণাৰ উপলক্ষত পৰিণত হোৱা কাৰ্য্য ৰাষ্ট্ৰখনৰ বাবে

ভৱিষ্যতৰ বাণিজ্যিক কক্ষপথ উৎক্ষেপণ সেৱাৰ বাবে এটি শক্তিশালী ভেটি

বিক্ৰম-১ হৈছে দেশৰ প্ৰথমখন ব্যক্তিগতভাৱে নিৰ্মিত কক্ষপথ উৎক্ষেপণ যান। ইয়াৰ নিম্ন ভূ-কক্ষপথলৈ (LEO)৩৫০ কিগ্ৰা পৰ্য্যন্ত সামগ্ৰী বহন কৰি প্ৰেৰণ কৰাৰ ক্ষমতা আছে। প্ৰায় ২২ মিটাৰ উচ্চতাত থিয় হৈ থকা এই উৎক্ষেপণ বাহনত কেইবাটাও থলুৱা প্ৰযুক্তিগত কৃতিত্ব অন্তৰ্ভুক্ত কৰা হৈছে। যেনেঃ ভাৰতৰ প্ৰথমটো অল-কাৰ্বন-কম্প'জিট অৰবিট ৰকেট, ইয়াৰ অৰবিটেল এডজাষ্টমেণ্ট মডিউলক শক্তি প্ৰদান কৰা ১০০% থ্ৰী ডি-প্ৰিণ্টেড লিকুইড ইঞ্জিন, এটা উন্নত আল্‌ট্ৰা-ল'-শ্বক নিউমেটিক পৃথ! ৰণ ব্যৱস্থা আৰু দেশৰ অন্যতম দীৰ্ঘতম মন'লিথিক কাৰ্বন-কম্প'জিট ৰকেট ষ্টেজ। এই সফল অভিযানে জটিল প্ৰচালন শক্তি, বিমানৰ ইলেক্ট্ৰনিক ব্যৱস্থা, দূ�ৰৱৰ্তী তথ্য পৰিমাপ আৰু প্ৰেৰণ ব্যৱস্থা, নেভিগেচন আৰু বিমান নিয়ন্ত্ৰণ ব্যৱস্থাক বৈধতা প্ৰদান কৰে। ইয়াৰ ফলশ্ৰুতিত ভাৰতৰ ভৱিষ্যতৰ বাণিজ্যিক কক্ষপথ উৎক্ষেপণ সেৱাৰ বাবে এক শক্তিশালী ভেটি স্থাপিত হয়।



মহাকাশ পৰিৱেশতন্ত্ৰৰ এক ৰূপান্তৰ

২০২০-ত সাধন কৰা গুৰুত্বপূৰ্ণ সংস্কাৰৰাজিৰ পিছত ভাৰতৰ মহাকাশ ব্যৱস্থাত এক ব্যাপক ৰূপান্তৰ ঘটিছে। কেইবছৰমান আগলৈকে কাৰ্য্যতঃ ব্যক্তিগত উৎক্ষেপণ ব্যৱস্থা নাছিল যদিও আজি ভাৰতত ৪০০ৰো অধিক মহাকাশ ষ্টাৰ্টআপ আছে। বিক্ৰম-১ৰ আঁৰৰ ষ্টাৰ্টআপ স্কাইৰুট হৈছে দেশৰ প্ৰথমটো মহাকাশ ইউনিকৰ্ণ।

ভাৰতীয় মহাকাশ অৰ্থনীতি ৯ বিলিয়ন ডলাৰৰ মাইলৰ খুঁটিৰ দিশে আগবাঢ়ি আছে।

অহা দশকত মহাকাশ অৰ্থনীতিৰ বাবে ৪৪+ বিলিয়ন ডলাৰৰ ৰাষ্ট্ৰীয় লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

বিক্ৰম-১ ৰ সফলতাই নীতি সংস্কাৰে উদ্ভাৱনক ত্বৰান্বিত কৰিব পৰা কথাটো প্ৰমাণিত কৰিলে। ●



"বিক্ৰম-১ ৰ সফল উৎক্ষেপণৰ বাবে অভিনন্দন জনালোঁ। এয়া ভাৰতৰ মহাকাশ যাত্ৰাৰ এক সংজ্ঞায়িত মুহূৰ্ত। আমাৰ ব্যক্তিগত খণ্ডৰ ক্ৰমবৰ্ধমান অংশগ্ৰহণ কাৰ্য্যই নতুন দিগন্তৰ উন্মেষ ঘটাইছে আৰু উদ্ভাৱনক আগুৱাই নিছে। এই সাফল্যই অগণন যুৱক-যুৱতীক ডাঙৰ-ডাঙৰ সপোন দেখিবলৈ আৰু নিৰ্ভয়ে উদ্ভাৱন কৰি যাবলৈ উৎসাহিত কৰিব।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

ৰাষ্ট্ৰৰ সামগ্ৰিক উন্নয়নৰ অংশীদাৰ...

ক্রীড়াৰ শক্তি

ভাৰতৰ বাবে আগষ্ট হৈছে ক্রীড়া উদযাপনৰ এটা মাহ। ২৯ আগষ্টৰ দিনা দেশত ৰাষ্ট্ৰীয় ক্রীড়া দিৱস পালন কৰা হয়। সেইদিনাই ফিট ইণ্ডিয়া অভিযানৰো ৭ম বাৰ্ষিকী উদযাপন কৰা হ'ব। ফিট ইণ্ডিয়া অভিযানে সমগ্ৰ ৰাষ্ট্ৰতে স্বাস্থ্য আৰু ফিটনেছ সন্দৰ্ভত সজাগতা আৰু সক্রিয় অংশগ্রহণ কার্য্যক ত্বৰান্বিত কৰিছে। এনে প্রেক্ষাপটতে কেন্দ্রীয় চৰকাৰে ৰাষ্ট্ৰীয় ক্রীড়া নীতি, ২০২৫-ৰ পাঁচটা স্তম্ভৰ ওপৰত ভিত্তি কৰি ক্রীড়া বাতাবৰণক সুদৃঢ় কৰিছে। এয়া হৈছে ৰাষ্ট্ৰৰ সামগ্ৰিক উন্নয়নৰ বাবে ক্রীড়াৰ শক্তিক ব্যৱহাৰ কৰাৰ এক দৃষ্টিভংগী...

কিংবদন্তি হকী খেলুৰে মেজৰ ধ্যান চান্দৰ জন্ম বার্ষিকী উপলক্ষে ভাৰতে প্রতি বর্ষৰে ২৯ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় ক্রীড়া দিৱস হিচাপে পালন কৰি আহিছে। ২০৩৬-ৰ ভিতৰত শীর্ষ-১০ ক্রীড়া প্রধান ৰাষ্ট্ৰ আৰু ২০৪৭-ৰ ভিতৰত শীর্ষ-৫ ক্রীড়া প্রধান ৰাষ্ট্ৰ হোৱাৰ লক্ষ্যৰে দেশখনে খেলুৰে সকলক লালন-পালন কৰি থকাৰ সময়তে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ বাবে নাগৰিক সকলৰ ফিটনেছ এক মূল অগ্রাধিকাৰৰ বিষয় হৈ আছে। ২০১৯-ত শুভাৰম্ভ কৰা ফিট ইণ্ডিয়া অভিযান পৰৱর্তী সময়ছোৱাত সমগ্ৰ দেশতে এক ব্যাপক ফিটনেছ বিপ্লৱত পৰিণত হৈছে। ২০২৫-ত ফিট ইণ্ডিয়া অভিযানৰ অধীনত ৰাষ্ট্ৰজোৰা ক্রীড়া আৰু ফিটনেছ উদযাপন কার্য্যসূচীত ৩৫০ নিযুতৰো অধিক লোকে অংশগ্রহণ কৰিছিল।

বর্তমানৰ কেন্দ্রীয় চৰকাৰে ২০২৫-ৰ ১০ জুলাইত 'খেলো ভাৰত নীতি, ২০২৫'ৰ শুভাৰম্ভ কৰিছিল। এই নতুন নীতিয়ে ২০০১-ৰ ৰাষ্ট্ৰীয় ক্রীড়া নীতিৰ ঠাই লয়। এই নীতিৰ অধীনত ভাৰতক বিশ্বব্যাপী ক্রীড়া মহাশক্তি হিচাপে প্রতিষ্ঠা কৰা আৰু ২০৩৬-ৰ অলিম্পিক গেমছকে প্রমুখ্য কৰি আন্তঃৰাষ্ট্ৰীয় ক্রীড়া প্রতিযোগিতা সমূহত উৎকৃষ্টতা নিশ্চিত কৰাৰ লক্ষ্যৰে দূৰদর্শী পাঁচটা-স্তম্ভৰ কাঠামোৰ কাম আৰম্ভ কৰা হৈছে। এই নীতিয়ে সুস্থ, অধিক অংশগ্রহণআৰু শক্তিশালী নাগৰিক সমাজক লালন-পালন কৰিব।

স্তম্ভ-১

বিশ্ব মঞ্চত উৎকৃষ্টতা প্ৰদৰ্শন

এই স্তম্ভৰ অধীনত খেলো ইণ্ডিয়া ৰাষ্ট্ৰীয় ক্ৰীড়া উন্নয়ন কাৰ্য্যক্ৰম, ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচন, ৰাষ্ট্ৰীয় ক্ৰীড়া উন্নয়ন পুঁজিলৈ সাহায্য আগবঢ়োৱা আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া বিজ্ঞান আৰু গৱেষণা কেন্দ্ৰ স্থাপন আদি পদক্ষেপ ৰূপায়ণ কৰা হৈছে।

২৮,২৩৪

গৰাকী খেলুৱৈয়ে সমগ্ৰ দেশৰ ১,০৬৬টা অধিসূচিত খেলো ইণ্ডিয়া কেন্দ্ৰত তৃণমূল-পৰ্য্যায়ৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।

১২,০০০

খেলুৱৈলৈ ২৩টা ৰাষ্ট্ৰীয় উৎকৃষ্টতা কেন্দ্ৰ আৰু ৫০-ৰো অধিক হাই-পাৰ্ফমেন্স প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে সমৰ্থন আগবঢ়োৱা হৈছে।

৩৫

টা খেলো ইণ্ডিয়া ৰাজ্যিক উৎকৃষ্টতা কেন্দ্ৰৰ জৰিয়তে ৩৪খন ৰাজ্যৰ ২,৪৬৬ গৰাকী খেলুৱৈলৈ হাই-পাৰ্ফমেন্স সমৰ্থন আগবঢ়োৱা হৈছে।

৬.২৮

লাখ টকাৰ বাৰ্ষিক পুঁজি প্ৰশিক্ষণৰ বাবে সৰ্বাংগীণ সমৰ্থনৰ অংশ হিচাপে প্ৰতিগৰাকী খেলো ইণ্ডিয়া খেলুৱৈলৈ আগবঢ়োৱা হৈছে।

ইন্দিৰা গান্ধী ষ্টেডিয়ামত ৰাষ্ট্ৰীয় ক্ৰীড়া বিজ্ঞান আৰু গৱেষণা কেন্দ্ৰ স্থাপন কৰা হৈছে।

স্তম্ভ-১

অৰ্থনৈতিক উন্নয়নৰ বাবে ক্ৰীড়া

ৰাষ্ট্ৰীয় ক্ৰীড়া নীতি, ২০২৫-ত ক্ৰীড়াৰ অৰ্থনৈতিক সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ভাৰতত বৃহৎ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া কাৰ্য্যসূচী আয়োজন কৰাৰ পদক্ষেপৰ সমান্তৰালভাৱে ক্ৰীড়া উৎপাদন ব্যৱস্থাক সুদৃঢ় কৰাৰ লগতে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণক প্ৰসাৰিত কৰাৰ অৰ্থে প্ৰচেষ্টা অব্যাহত আছে।

৩২২

খেলো ইণ্ডিয়া-স্বীকৃতিপ্ৰাপ্ত একাডেমীক (ব্যক্তিগত সুবিধা সমূহকে প্ৰমুখ্য কৰি) শীৰ্ষ-পৰ্য্যায়ৰ প্ৰতিভাক লালন-পালন কৰিবলৈ স্বীকৃতি প্ৰদান কৰা হৈছে।

ভাৰতে ২০৩০-ত যুৱ অলিম্পিক গেমছ আৰু ২০৩৬-ত অলিম্পিক গেমছ আয়োজন কৰিবলৈ প্ৰস্তাৱ জনাইছে। আজিলৈকে ভাৰতে অলিম্পিকৰ আয়োজন কৰা নাই।

ভাৰতে ২০২৫-ত নতুন দিল্লীত প্ৰথম খোখো বিশ্বকাপৰ আয়োজন কৰিছিল। ইয়াত দেশখনে পুৰুষ আৰু মহিলা উভয় পৰ্য্যায়তে খিতাপ দখল কৰিছিল।

ভাৰতে ২০২৫-ত দ্বাদশ বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপৰ আয়োজন কৰিছিল। ইয়াত দেশখনে ৬টা স্বৰ্ণকে প্ৰমুখ্য কৰি ২২টা পদক লাভেৰে এতিয়ালৈকে সৰ্বোত্তম প্ৰদৰ্শন আগবঢ়াইছে।

- ভৱিষ্যতে অলিম্পিক আৰু পেৰা অলিম্পিক গেমছ আয়োজন কৰাৰ আকাংক্ষাৰ কথা মনত ৰাখি ভাৰতে অষ্ট্ৰেলিয়াৰ সৈতে ক্ৰীড়া সহযোগিতা ৰোডমেপ সন্দৰ্ভত কাম আৰম্ভ কৰিছে।
- ২০২৬-২৭ৰ বাজেটত ৫০০ কোটি টকা মূল্যৰ ক্ৰীড়া সঁজুলি নিৰ্মাণ পদক্ষেপ আৰম্ভ কৰা হৈছে। ইয়াৰ জৰিয়তে ক্ৰীড়াক নিয়োগ, দক্ষতা বিকাশ আৰু অৰ্থনৈতিক বিকাশৰ এক গুৰুত্বপূৰ্ণ চালিকা শক্তি হিচাপে প্ৰতিষ্ঠা কৰা হৈছে।



স্তম্ভ-৩

সামাজিক উন্নয়নৰ বাবে ক্রীড়া

কেন্দ্রীয় চৰকাৰে মহিলা, জনজাতীয় সমাজ আৰু বিশেষভাৱে সক্ষম লোক সকলৰ মাজত অংশগ্রহণক প্রসাৰিতকৰণ; থলুৱা আৰু পৰম্পৰাগত ক্রীড়াক উৎসাহিত কৰা তথা ক্রীড়াক এক ব্যৱহার্য কেৰিয়াৰ বিকল্প হিচাপে প্রতিষ্ঠা কৰাৰ বাবে কাম কৰি আছে।

২,৬০০+

অস্মিতা লীগৰ (মহিলা লীগ) খেলো ইণ্ডিয়াৰ অধীনত আয়োজন কৰা হৈছে। ইয়াত ৩৪টা ক্রীড়া শাখাত ৩ লাখৰো অধিক মহিলা খেলুৰৈয়ে অংশগ্রহণ কৰিছে।

যোৱা পাঁচ বছৰত তিনি থলুৱা ক্রীড়া- যোগাসন, খো-খো আৰু কাবাডীক ৰাষ্ট্রীয়-পর্য্যায়ৰ ক্রীড়া প্রতিযোগিতা সমূহত অন্তর্ভুক্ত কৰা হৈছে। খেলো ইণ্ডিয়া য়ুথ গেমছ আৰু খেলো ইণ্ডিয়া ইউনিভার্চিটি গেমছৰ একাধিক সংস্কৰণত মাল্লাখাম্ব, থাং-তা, কলাৰিপায়ট্টু, গাটকা আৰু যোগাসন আদিক অন্তর্ভুক্ত কৰা হৈছে।

২০২৬-২৭ৰ কেন্দ্রীয় বাজেটত ঘোষণা কৰা খেলো ইণ্ডিয়া মিছনে দেশৰ ক্রীড়া ব্যৱস্থাৰ এক বৃহৎ ৰূপান্তৰ সাধন কৰিব।

স্তম্ভ-৪

গণ অভিযান হিচাপে ক্রীড়া

শেহতীয়া বছৰ কেইটাত ৰাষ্ট্রজোৰা অভিযান আৰু সমাজ-ভিত্তিক কার্য্যক্রমৰ জৰিয়তে ক্রীড়াত জনসাধাৰণৰ অংশগ্রহণ আৰু ফিটনেছৰ সংস্কৃতিক প্রসাৰিত কৰাৰ অর্থে ব্যাপক প্রচেষ্টা গ্রহণ কৰা হৈছে। সকলোৰে বাবে ক্রীড়াৰ সুবিধা সমূহৰ উপলব্ধতা নিশ্চিত কৰিবলৈ সক্রিয়ভাৱে উৎসাহিত কৰা হৈছে।

- লোকসভা সমষ্টি পর্য্যায়ত সাংসদ খেল মহোৎসৱৰ আয়োজন কৰা হৈছে।
- ‘ফিট ইণ্ডিয়া’ অভিযানৰ অধীনত ৪.৪০ লাখৰো অধিক বিদ্যালয় পঞ্জীয়নভুক্ত হৈছে।
- ফিট ইণ্ডিয়া অভিযানৰ অধীনত সমগ্র বছৰ জুৰি ‘ছানডে’ অন চাইকেল’, ‘ফিট ইণ্ডিয়া স্বচ্ছতা ফ্রীডম ৰান’ আৰু ‘ফিট ইণ্ডিয়া কার্নিভেল’ আদি কার্য্যসূচীৰ আয়োজন কৰা হয়।



- ১.৩ নিযুতৰো অধিক লোকে ফিটনেছ পেৰামিটাৰ অনুসৰণ কৰা ফিট ইণ্ডিয়া মবাইল এপটো ডাউনল’ড কৰিছে।

স্তম্ভ-৫

শিক্ষাৰ সৈতে একত্রীকৰণ (এন ই পি ২০২০)

ৰাষ্ট্রীয় ক্রীড়া নীতিত শৈশৱৰ পৰাই শাৰীৰিক সাক্ষৰতাত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাষ্ট্রীয় শিক্ষা নীতি (এন ই পি), ২০২০-ৰ সৈতে ইয়াৰ সংগতি আছে। ইয়াত ক্রীড়াক আজীৱন ফিটনেছ আৰু মংগলৰ বর্ধনৰ বাবে এক অবিচ্ছেদ্য বিষয় হিচাপে গণ্য কৰা হৈছে।

- এন ই পি, ২০২০-ৰ অধীনত ক্রীড়া আৰু শাৰীৰিক শিক্ষাক শিক্ষা ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ কৰি তোলা হৈছে। এতিয়া ছাত্র-ছাত্রীসকলে ক্রীড়া আৰু শৈক্ষিক উভয় দিশতে পাৱদর্শিতা প্রদর্শনৰ সুযোগ লাভ কৰিব।
- শৈক্ষিক পর্য্যায়ত খেলুৰৈ আৰু ছাত্র-ছাত্রী সকলৰ বাবে বিশেষ পাঠ্যক্রম যুগুত কৰা হৈছে।
- পোন-প্রথমবাৰৰ বাবে আই আই টি-ৰ দৰে সন্মানীয় শিক্ষানুষ্ঠান সমূহত ক্রীড়া কোটা ব্যৱস্থাৰ প্রৱর্তন কৰা হৈছে।

ৰাষ্ট্রীয় ক্রীড়া নীতি ৰূপায়ণৰ কাঠামো

কেন্দ্রীয় চৰকাৰে এটি বিশ্বব্যাপী সন্মানীয়, খেলুৰে-কেন্দ্রিক শাসন কাঠামো স্থাপনৰ প্রক্রিয়া আৰম্ভ কৰিছে। ৰাষ্ট্রীয় ক্রীড়া প্রশাসন আইন, ২০২৫-ৰ অধিসূচনাৰ পিছত অতিৰিক্ত প্রশাসনিক সংস্কাৰ সাধন আৰু স্বচ্ছতা নিশ্চিত কৰা আইনৰো অধিসূচনা জাৰি কৰা হৈছে।

ফেডাৰেচনসমূহৰ সমর্থন লাভ আৰু ক্রীড়া উন্নয়নৰ বাবে আর্থিক সাহায্য আকর্ষণ কৰাৰ লক্ষ্যৰে ‘এক ক্রীড়া-এক কর্পৰেট’ নীতি ঘোষণা কৰা হৈছে।

এই ক্রীড়া আইন আৰু অধিনিয়মসমূহৰ উদ্দেশ্য হৈছে অলিম্পিক আৰু ক্রীড়া আন্দোলনত অন্তর্নিহিত হৈ থকা সুশাসন, নৈতিকতা আৰু সততাৰ নীতিৰ ওপৰত ভিত্তি কৰি এক বিস্তৃত বিধিগত কাঠামোৰ জৰিয়তে ৰাষ্ট্রীয় ক্রীড়া ফেডাৰেচনসমূহৰ ভিতৰত জবাবদিহিতা, স্বচ্ছতা আৰু সুশাসন নিশ্চিত কৰা।

ৰাজ্যসমূহৰ বাবে এক আদর্শ ক্রীড়া নীতি আছে। এই নীতিয়ে ৰাষ্ট্রীয় স্বার্থৰ প্রতি লক্ষ্য ৰাখি ৰাজ্যিক ক্রীড়া নীতি প্রণয়ন কৰিবলৈ উৎসাহিত কৰিব।



ভাৰতীয় শ্বাটলাৰ পিভি সিন্ধুৱে জাপান অপেন, ২০২৬ খিতাপ দখল কৰি ইতিহাস ৰচনা কৰে। সিন্ধু হৈছে এই খিতাপ লাভ কৰা প্রথমগৰাকী ভাৰতীয় খেলুৰে।

ৰাষ্ট্রৰ গৌৰৱ বৃদ্ধি কৰা ভাৰতীয় খেলুৰৈসকল

- ভাৰতে অভিলেখ ৰচনাৰে ষষ্ঠবাৰৰ বাবে আই চি চি ১৯-অনুর্ধ্ব পুৰুষ ক্রিকেট বিশ্বকাপ, ২০২৬ খিতাপ দখল কৰে।
- ২০২৫-ৰ খো-খো বিশ্বকাপত ভাৰতে পুৰুষ আৰু মহিলা উভয় পর্য্যায়তে স্বর্ণ পদক লাভ কৰে।
- ছেপাক টাক্র বিশ্বকাপ, ২০২৫-ত ভাৰতীয় দলটোৱে ৭টা পদক লাভ কৰে।
- ভাৰতীয় মহিলা ক্রিকেট দলে পোন-প্রথমবাৰৰ বাবে আই চি চি মহিলা ক্রিকেট বিশ্বকাপ, ২০২৫-ত জয়লাভ কৰে।
- আই চি চি ১৯-অনুর্ধ্ব মহিলা টি-২০ বিশ্বকাপ, ২০২৫-ত জয়লাভ।
- ভাৰতীয় দৃষ্টিহীন মহিলা ক্রিকেট টীমে প্রথম দৃষ্টিহীন মহিলা টি-২০ বিশ্বকাপ, ২০২৫-ত জয়লাভ কৰি সমগ্র শৃংখলাটোত অপৰাজিত হৈ থাকে।

“ ভাৰতীয় বেডমিণ্টনৰ এক ঐতিহাসিক সাফল্য! জাপান অপেন, ২০২৬-ত জয়লাভ কৰাৰ বাবে পিভি সিন্ধুক অভিনন্দন জনালোঁ। সমগ্র প্রতিযোগিতাখনতে তেওঁৰ দৃঢ়তা আৰু ব্যতিক্রমী দক্ষতা সুস্পষ্ট হৈ পৰিছিল। এই কৃতিত্ব আৰু বিশেষ হোৱাৰ কাৰণ হৈছে তেওঁ এনে খিতাপ লাভ কৰা প্রথমগৰাকী ভাৰতীয় খেলুৰে। এই সাফল্যই সমগ্র দেশৰ অগণন যুৱ খেলুৰৈক উক্ত ক্রীড়াৰ অনুশীলন আৰু পাৰদর্শিতা দেখুৱাবলৈ অনুপ্রাণিত কৰিব।

নৰেন্দ্র মোদী, প্রধানমন্ত্রী

ভাৰতীয় খেলুৰৈসকলে কমনৱেলথ গেমছত ৰাষ্ট্ৰলৈ গৌৰৱ কঢ়িয়াই আনিছে

পদকৰ তালিকা

স্বৰ্ণ

১৩

ৰূপ

১৭

ব্ৰঞ্জ

৯

মুঠ ৩৯

ভাৰতৰ ১৩টা স্বৰ্ণকে প্ৰমুখ্য কৰি মুঠ ৩৯ পদক লাভ

স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত হোৱা ২০২৬-ৰ কমনৱেলথ গেমছত এক দৰ্শনীয় প্ৰদৰ্শন আগবঢ়াই ভাৰতে ৩৯টা পদক লাভ কৰে। ইয়াৰে ১৩টা স্বৰ্ণ আৰু ১৭টা ৰূপৰ পদক। এনে প্ৰদৰ্শনেৰে ভাৰতে পদকৰ তালিকাত চতুৰ্থ স্থান লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় খেলুৰৈসকলৰ এনে সাফল্য লাভৰ বাবে গৌৰৱ প্ৰকাশ কৰাৰ সমান্তৰালভাৱে ভাৰতে এতিয়া ২০৩০-ত কমনৱেলথ গেমছৰ শতবাৰ্ষিকী সংস্কৰণ আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি আৰু দৃঢ়তাৰে আগবাঢ়িছে...

স্থান	দেশ	স্বৰ্ণ	ৰূপ	ব্ৰঞ্জ	মুঠ পদক
১.	অষ্ট্ৰেলিয়া	৭০	৪৫	৫৬	১৭১
২.	ইংলেণ্ড	২৯	৪৫	৩৬	১১০
৩.	কানাডা	১৯	২০	২৩	৬২
৪.	ভাৰত	১৩	১৭	৯	৩৯
৫.	স্কটলেণ্ড	১৩	০৯	১৭	৩৯

কমনৱেলথ গেমছ ২০২৬-ৰ বাবে এক চমকপ্রদ বিদায়

স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত ২০২৬ চনৰ কমনৱেলথ গেমছৰ বৰ্ণাঢ্য সামৰণি অনুষ্ঠানে ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু আহমেদাবাদত ২০৩০ চনৰ গেমছ আয়োজন কৰাৰ সংকল্পক তুলি ধৰিছিল। ভাৰতৰ এক বৰ্ণিল সাংস্কৃতিক প্রদর্শনে দর্শকক মন্ত্রমুগ্ধ কৰাৰ সমান্তৰালভাৱে, এই অনুষ্ঠানটোৱে কমনৱেলথ গেমছৰ পৰৱৰ্তী অধ্যায়ৰ আয়োজক হিচাপে আহমেদাবাদৰ যাত্রাৰ আনুষ্ঠানিক আৰম্ভণিকো চিহ্নিত কৰিছিল।

যি সময়ত ‘বন্দে মাতৰম’, ‘শিৱ স্তোত্র’ আৰু ‘শুনো গৌৰ চে দুনিয়া ৰালোঁ’ৰ হৃদয়স্পর্শী সুৰ ষ্টেডিয়ামত অনুৰণিত হৈছিল, ভাৰতীয় অনুৰাগীসকলে হাতত ত্রিৰংগা উৰুৱাই অতি উৎসাহেৰে উল্লাস প্রকাশ কৰিছিল। বৃহৎসংখ্যক আন্তঃৰাষ্ট্রীয় দর্শকেও ভাৰতীয় সংগীত আৰু সাংস্কৃতিক প্রদর্শন উপভোগ কৰিছিল। এই অনুষ্ঠানটোত গ্লাছগোৰ পৰা আহমেদাবাদলৈ কমনৱেলথ গেমছ আয়োজনৰ দায়িত্বৰ এক আৰেগিক আৰু প্রতীকী হস্তান্তৰণ পৰিলক্ষিত হৈছিল।

অনুষ্ঠানটোৰ সময়ত, কমনৱেলথ গেমছৰ পতাকাখন আনুষ্ঠানিকভাৱে গুজৰাটৰ উপ-মুখ্যমন্ত্রী হর্ষ সাংভীক হস্তান্তৰ কৰা হয়। ইয়াৰ লগে লগে, আহমেদাবাদে ২০৩০ চনৰ কমনৱেলথ গেমছ আয়োজনৰ দায়িত্ব আনুষ্ঠানিকভাৱে গ্রহণ কৰে। গেমছৰ ইতিহাসত ২০৩০ চনৰ গেমছে বিশেষ তাৎপর্য বহন কৰে, কিয়নো ই গেমছ আৰম্ভ হোৱাৰ ১০০ বছৰ সম্পূর্ণ হোৱা উপলক্ষে শতবার্ষিকী সংস্কৰণ হিচাপে পৰিগণিত হ’ব। অষ্ট্রেলিয়াৰ পিছত ভাৰত দুবাৰকৈ কমনৱেলথ গেমছ আয়োজন কৰা বিশ্বৰ দ্বিতীয়খন দেশ হ’বলৈ গৈ আছে।

পৰৱৰ্তী কমনৱেলথ গেমছ ২০৩০ চনত ভাৰতৰ আহমেদাবাদত অনুষ্ঠিত হ’ব।

বক্সিঙত ভাৰতৰ আটাইতকৈ চমকপ্রদ প্রদর্শন

ভাৰতীয় বক্সাৰসকলে ৭টা সোণ আৰু ৩টা ৰূপৰ পদকসহ সর্বমুঠ ১০টা পদক অর্জন কৰে। কমনৱেলথ গেমছৰ ইতিহাসত এয়া আছিল ভাৰতৰ আটাইতকৈ সফল বক্সিঙৰ অভিযান। ভাৰতে ভাৰোত্তোলন, জুডো আৰু বক্সিঙত উৎকৃষ্ট প্রদর্শন কৰাৰ সমান্তৰালকৈ পেৰা-ক্রীড়া প্রতিযোগিতা সমূহতো এক অসাধাৰণ প্রদর্শন আগবঢ়াবলৈ সক্ষম হৈছিল।

পদক জয়েৰে দেশলৈ কঢ়িয়ালে গৌৰৱ

কমনৱেলথ গেমছৰ গ্লাছগো ২০২৬ সংস্কৰণ এক সীমিত ক্রীড়া তালিকাৰে অনুষ্ঠিত হৈছিল, য’ত ভাৰতে পৰম্পৰাগতভাৱে উৎকৃষ্ট প্রদর্শন কৰি অহা কেইবাটাও ক্রীড়া বিভাগ বাদ দিয়া হৈছিল। তৎস্বত্বেও, ভাৰতীয় দলে ৩৯টা পদক জয় কৰি উল্লেখনীয় সফলতা অর্জন কৰে, যি বার্মিংহাম ২০২২ গেমছত একেবোৰ ক্রীড়া বিভাগত জয় কৰা ৩০টা পদকৰ সংখ্যা অতিক্রম কৰে। ভাৰতীয় ক্রীড়াৰ ক্রমবর্ধমান গভীৰতা আৰু ৰাষ্ট্রখনৰ শক্তিশালী গোলকীয় উপস্থিতি আজি স্পষ্টভাৱে প্রতিফলিত হৈছে, যি হৈছে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ দূৰদর্শী নেতৃত্ব, ক্রীড়াৰ প্রতি তেওঁৰ দায়বদ্ধতা, আৰু খেলুৰৈসকলক প্রদান কৰা নিৰন্তৰ উৎসাহৰ এক ফলশ্রুতি।

“

গ্লাছগো কমনৱেলথ গেমছত আমাৰ দলটোৰ প্রদর্শনক লৈ মই গৌৰৱান্বিত। এয়া অতিশয় আনন্দৰ বিষয় যে ভাৰতে ১৩টা স্বর্ণ পদককে ধৰি সর্বমুঠ ৩৯টা পদক জয় কৰিছে। সমগ্র গেমছৰ সময়ছোৱাত আমাৰ প্রতিভাৱান খেলুৰৈসকলে অসাধাৰণ দক্ষতা, দৃঢ়তা আৰু একাগ্রতা প্রদর্শন কৰিলে। তেওঁলোকৰ কঠোৰ পৰিশ্রমে আমাৰ যুৱপ্রজন্মক অনুপ্রাণিত কৰি থাকিব। মই ভাৰতীয় দলটোক তেওঁলোকৰ ভৱিষ্যতৰ প্রয়াসসমূহৰ বাবে আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ। - *নৰেন্দ্র মোদী, প্রধানমন্ত্রী*

২০২৪ বৰ্ষৰ ৭২ সংখ্যক ৰাষ্ট্রীয় চলচ্চিত্র বঁটা ঘোষণা

‘আর্টিকেল ৩৭০’-এ লাভ কৰিলে শ্রেষ্ঠ পূৰ্ণদৈর্ঘ্য চলচ্চিত্রৰ বঁটা

২০২৪ বৰ্ষৰ ৭২ সংখ্যক ৰাষ্ট্রীয় চলচ্চিত্র বঁটা বিজয়ীসকলৰ নাম ১৮ জুলাইত ঘোষণা কৰা হয়। আর্টিকেল ৩৭০ ছবিয়ে শ্রেষ্ঠ পূৰ্ণদৈর্ঘ্য চলচ্চিত্রৰ বঁটা লাভ কৰাৰ বিপৰীতে, ভাংগাৰ ছবিয়ে শ্রেষ্ঠ অ-পূৰ্ণদৈর্ঘ্য চলচ্চিত্র (নন ফিচাৰ ফিল্ম) আৰু ‘ৰাম-নামী’য়ে শ্রেষ্ঠ তথ্যচিত্রৰ বঁটা লাভ কৰে...

২০২৪ বৰ্ষৰ ৭২ সংখ্যক ৰাষ্ট্রীয় চলচ্চিত্র বঁটা ঘোষণাত, কার্তিক আৰিয়ান আৰু মামুট্টিক ক্রমে ‘চন্দু চেম্পিয়ন’ আৰু ‘ব্রমযুগম’ৰ বাবে শ্রেষ্ঠ অভিনেতা (মুখ্য চৰিত্র) হিচাপে নির্বাচিত কৰা হয়, আনহাতে য়ামী গৌতমক ‘আর্টিকেল ৩৭০’ৰ বাবে শ্রেষ্ঠ অভিনেত্রী (মুখ্য চৰিত্র) বঁটাৰে সন্মানিত কৰা হয়। ‘স্বতন্ত্র বীৰ ছাভৰকাৰ’ৰ বাবে ৰণদীপ হুডাই শ্রেষ্ঠ নৱাগত পৰিচালকৰ বঁটা লাভ কৰে, আনহাতে ‘কল্কি ২৮৯৮ এ.ডি.’, ‘অমৰণ’, ‘পুষ্পা: দ্য ৰুল পার্ট-০২’, ‘ভুল ভুলাইয়া ৩’, আৰু ‘স্ত্রী ২’-ৰ দৰে ব্লকবাষ্টাৰ ছবিয়েও প্রধান বঁটাসমূহ লাভ কৰে, যিয়ে ভাৰতীয় চলচ্চিত্রৰ বৈচিত্র্য আৰু অসাধাৰণ গুণমানক প্রতিফলিত কৰে।

এই বঁটাসমূহ জয়ৰাজ (অধ্যক্ষ, পূৰ্ণদৈর্ঘ্য চলচ্চিত্র বিচাৰকমণ্ডলী/জুৰী), অসীম সিনহা (অধ্যক্ষ, অ-পূৰ্ণদৈর্ঘ্য চলচ্চিত্র বিচাৰকমণ্ডলী/জুৰী) আৰু এ. চন্দ্রশেখৰে (অধ্যক্ষ, চলচ্চিত্র বিষয়ক শ্রেষ্ঠ লিখনী বিচাৰকমণ্ডলী/জুৰী) ঘোষণা কৰে। ৰাষ্ট্রীয় চলচ্চিত্র বঁটা হৈছে ভাৰতীয় চলচ্চিত্র জগতৰ সর্বোচ্চ আৰু আটাইতকৈ মর্যাদাপূর্ণ সন্মান। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ৰ দ্বাৰা আয়োজিত এই বার্ষিক অনুষ্ঠানে ভাৰতীয় চলচ্চিত্রৰ বৈচিত্র্য, শৈল্পিকতা আৰু সামাজিক প্রাসংগিকতাক উদযাপন কৰে।

য়ামী গৌতমে লাভ কৰিলে শ্রেষ্ঠ অভিনেত্রীৰ বঁটা

আর্টিকেল ৩৭০এ লাভ কৰিলে শ্রেষ্ঠ পূৰ্ণদৈর্ঘ্য চলচ্চিত্রৰ বঁটা

কার্তিক আৰিয়ান আৰু মামুট্টিয়ে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিলেক্রমে ‘চান্দু চেম্পিয়ন’ আৰু ‘ব্রমযুগম’ৰ বাবে।



কার্তিক আৰিয়ান

মামুট্টি



ৰণদীপ হুডাই ‘স্বতন্ত্ৰ বীৰ ছাভাৰকাৰ’ৰ বাবে লাভ কৰিলে শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা।

‘ভংগৰ’ ছবিয়ে শ্ৰেষ্ঠ অ-পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰৰ বঁটা লাভ কৰিলে

‘ৰাম-নামী’য়ে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰিলে

ব্লকবাষ্টাৰ ছবি ‘কল্কি ২৮৯৮ এ.ডি.’, ‘পুষ্পা: দ্য ৰুল পার্ট-০২’, ‘স্ত্ৰী ২’ আৰু ‘অমৰণ’-এ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত আধিপত্য বিস্তাৰ কৰিলে।

তেওঁ আত্মসমর্পণৰ সলনি বাচি লৈছিল আত্মবলিদান

দেশক দাসত্বৰ শিকলিৰ পৰা মুক্ত কৰিবলৈ যুঁজ দিয়া আৰু ব্রিটিছৰ অত্যাচাৰৰ প্রতিৰোধ কৰা ব্যক্তিসকলৰ মাজত অৱন্তীবাই লোধীয়ে এক বিশেষ স্থান অধিকাৰ কৰি আছে। ১৮৫৭ চনৰ বিদ্রোহত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰা ৰাণী অৱন্তীবায়ে কেৱল সুশাসনৰ এক নিদর্শনেই দাঙি ধৰা নাছিল, বৰঞ্চ আজীৱন নিজৰ মাতৃভূমিৰ মর্যাদা ৰক্ষাৰ প্রতি দৃঢ়তাৰে সংকল্পবদ্ধ হৈ আছিল। তেওঁৰ জীৱন কাহিনীয়ে অনন্ত কাললৈ দেশলৈ গৌৰৱ কঢ়িয়াই আনিব।

জন্ম: ১৬ আগষ্ট, ১৮৩১। মৃত্যু: ২০ মার্চ, ১৮৫৮

১৮৩১ চনৰ ১৬ আগষ্টত মধ্যপ্রদেশৰ চেওনীত জন্মগ্রহণ কৰা ৰাষ্ট্রীয় গৌৰৱৰ অমৰ প্রতীক অৱন্তীবাইক তেওঁৰ পিতৃ জুঝাৰ সিঙে সৰুৰে পৰা তৰোৱাল চলোৱা, লক্ষ্যভেদ কৰা আৰু ঘোঁৰা চলোৱাৰ প্রশিক্ষণ দিছিল। যৌৱনপ্রাপ্ত হোৱাৰ পিছত ৰাজকুমাৰী গৰাকীয়ে ৰামগড়ৰ ৰজা লক্ষ্মণ সিং লোধীৰ পুত্র ৰাজকুমাৰ বিক্রমাদিত্যৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। ৰজাৰ অসুস্থতা আৰু উত্তৰাধিকাৰীসকল নাবালক হোৱাৰ বাবে ৰাণীয়ে ৰাজ্যৰ শাসনভাৰ গ্রহণ কৰিবলগীয়া হয় আৰু তেওঁ নিজকে এগৰাকী দক্ষ প্রশাসক হিচাপে প্রমাণিত কৰে। সেই সময়ত ব্রিটিছসকলে দেশৰ দেশীয় ৰাজ্যসমূহ দখল কৰিবলৈ বিভিন্ন নীতি ৰচনা কৰি আছিল। 'স্বত্ববিলোপ নীতি'-ৰ অধীনত ব্রিটিছে ৰামগড় দখল কৰিবলৈ এটা 'ক'ট অৱ ৰার্ডছ' নিযুক্তি দিছিল। ইয়াৰ প্রত্যুত্তৰত ৰাণী অৱন্তীবায়ে বিদ্রোহৰ ৰণশিঙা বজাইছিল। তেওঁ চুবুৰীয়া ৰজাসকল আৰু জমিদাৰসকলক একত্রিত কৰিবলৈ পত্রৰ সৈতে খাৰু প্রেৰণ কৰিছিল-যিটো কার্য বিপ্লৱৰ এক অনন্য প্রতীক হৈ পৰিছিল। তেওঁ পত্রত লিখিছিল: "ব্রিটিছৰ সৈতে যুঁজিবলৈ প্রস্তুত হওক, নহ'লে খাৰু পিন্ধি ঘৰত বহি থাকক।" ১৮৫৭ চনৰ স্বাধীনতা সংগ্রামৰ সময়ত তেওঁ যুৱপ্রজন্মক ব্রিটিছ শাসনৰ বিৰুদ্ধে যুঁজিবলৈ সংগঠিত কৰি অসাধাৰণ নেতৃত্বৰ নিদর্শন দাঙি ধৰিছিল।

খাইৰীৰ যুদ্ধত, তেওঁ নিজৰ কৌশলগত বিচক্ষণতা প্রয়োগ কৰি ব্রিটিছ সেনাপতি ৰাডিংটনক পিছুৱাই যাবলৈ বাধ্য কৰিছিল আৰু নিজৰ ভূখণ্ড মুক্ত কৰিছিল। তদুপৰি, আন কেইবাটাও অঞ্চল মুক্ত কৰি তেওঁ নিজৰ বীৰত্ব আৰু দৃঢ় সংকল্পৰ নিদর্শন দাঙি ধৰিছিল। অকল সেয়াই নহয়, ব্রিটিছৰ বিশাল সামৰিক বাহিনীৰ দ্বাৰা চাৰিওফালৰ পৰা

> বীৰাংগনা ৰাণী অৱন্তীবাই লোধীৰ জীৱন সাহস, ত্যাগ আৰু দেশপ্রেমৰ এক অনুপম নিদর্শন। ১৮৫৭ চনৰ বিদ্রোহৰ সময়ত তেওঁ ব্রিটিছৰ বিৰুদ্ধে তীব্র প্রতিৰোধ গঢ়ি তুলিছিল আৰু আত্মসমর্পণৰ সলনি বীৰগতি বাচি লৈছিল। তেওঁৰ ত্যাগে দেশৰ প্রতি সমর্পণ আৰু আত্মসন্মানৰ এক চিৰন্তন বার্তা বহন কৰে। তেওঁৰ জন্মবার্ষিকীত সশ্রদ্ধ শ্রদ্ধাঞ্জলি।
>
> *অমিত শ্বাহ, কেন্দ্রীয় গৃহমন্ত্রী*

আৰেষ্টিত হৈ পৰাৰ সময়তো তেওঁ দেৱহৰিগড়ৰ পাহাৰত বীৰত্বৰে যুঁজ দিছিল। ১৮৫৮ চনৰ ২০ মার্চত, ব্রিটিছৰ হাতত বন্দী হোৱাৰ সম্ভাৱনা উপলব্ধি কৰি, তেওঁ নিজৰ তৰোৱালেৰে প্রাণ বিসর্জন দি দেশৰ বাবে সর্বোচ্চ ত্যাগ স্বীকাৰ কৰিছিল।

দেশৰ সন্মান, মর্যাদা আৰু স্বাধীনতা ৰক্ষাৰ বাবে সর্বস্ব ত্যাগ কৰা অৱন্তীবাইক জোৱান অৱ আর্ক অৱ ইণ্ডিয়া হিচাপে শ্রদ্ধাৰে স্মৰন কৰা হয়। তেওঁ নাৰী সৱলীকৰণ আৰু আত্মসন্মানৰ এক অমৰ প্রতীক। তেওঁৰ সন্মানর্থে ডাক বিভাগে এখন স্মাৰক ডাকটিকট মুকলি কৰিছে। তেওঁৰ প্রতি শ্রদ্ধাঞ্জলি জনাই জৱলপুৰৰ বর্গী বান্ধটোৰ নাম 'ৰাণী অৱন্তীবাই সাগৰ' হিচাপে নামকৰণ কৰা হৈছে।

Narendra Modi
@narendramodi

बीते 12 वर्षों में हमारी सरकार ने स्वास्थ्य सेवाओं के क्षेत्र में देश का सामर्थ्य बढ़ाया है, जिससे आज लोगों को इलाज की बेहतर सुविधाएं मिल रही हैं। हमारे प्रयासों का एक बड़ा परिणाम यह भी है कि भारत मेडिकल टूरिज्म का एक अहम डेस्टिनेशन बन रहा है।



Rajnath Singh
@rajnathsingh

राष्ट्रीय सुरक्षा केवल सैनिकों की जिम्मेदारी नहीं है, बल्कि यह 140 करोड़ देशवासियों का सामूहिक दायित्व भी है। देश के हर नागरिक में सैनिक जैसी चेतना अवश्य होनी चाहिए। प्रत्येक भारतीय के भीतर राष्ट्र प्रथम का भाव, अनुशासन और कर्तव्यनिष्ठा सदैव जागृत रहनी चाहिए।

Amit Shah
@AmitShah

'हर घर तिरंगा' अभियान ने पूरे देश को राष्ट्रीय भावना से जोड़ा है। इस वर्ष भी पूरे उत्साह और सम्मान के साथ इस अभियान को जन आंदोलन के रूप में आगे बढ़ाना है: PM श्री @narendramodi जी

Nitin Gadkari
@nitin_gadkari

महाराष्ट्र के भविष्य की कनेक्टिविटी का नया प्रतीक बनेगा तालेगांव-चाकण-शिक्रापुर कॉरिडोर!

#PragatiKaHighway #GatiShakti

Nirmala Sitharaman Office
@nsitharamanoffc

भारत में प्रतिभा और क्षमता की कोई कमी नहीं है। यही शक्ति इसे वैश्विक क्षमता केंद्रों (जीसीसी) के लिए एक पसंदीदा गंतव्य बनाती है।

दुनिया भर की कंपनियां भारतीय लोगों के कौशल, सृजनात्मकता और सूझ-बूझ के कारण यहां आ रही हैं।

कला, परंपरा और संस्कृति के क्षेत्रों में भी इसी प्रकार का एक बड़ा अवसर साकार होने की प्रतीक्षा कर रहा है।

भारत की कलात्मक विरासत एक ऐसी सुदृढ़ क्षमता है, जो वैश्विक बाजारों में अपनी पहचान बनाने के लिए पूरी तरह तैयार है।

Kiren Rijiju
@KirenRijiju

18 जुलाई को भारत के एक युवा स्टार्टअप ने एक बड़ी सिद्धी प्राप्त की है। विश्व के बहुत कम ही देश है, जहाँ इस प्रकार से प्राइवेट साहस हुए हैं और भारत के युवाओं ने अंतरिक्ष में उड़ान भरी है: माननीय प्रधानमंत्री श्री @narendramodi जी

#Parliament
#MonsoonSession2026

Govt okays chemical parks scheme, expansion of K'taka-Andhra rly line

Neha LM Tripathi
letters@hindustantimes.com

NEW DELHI: The Union Cabinet on Friday approved the Bharat Audyogik Vikas Yojana Rasayan (BHAVYA Rasayan) scheme with a financial outlay of ₹3,030 crore to establish three dedicated chemical parks across the country.

The scheme, which was announced in the Union Budget for FY2026-27, will have a total outlay of ₹3,030 crore, including ₹3,000 crore for developing common infrastructure and basic utilities inside the parks and ₹30 crore towards administrative expenditure.

The scheme will be implemented over five years, from FY2026-27 to FY2030-31.

"The Centre would provide a grant of up to ₹1,000 crore per park. This will be subject to a minimum contribution of ₹500 crore by the concerned State Government/Implementing Agency," said Ashwini Vaishnaw, minister of railways, information and broadcasting, and electronics and IT, at a press briefing.

THE BHAVYA RASAYAN SCHEME HAS AN OUTLAY OF ₹3,030 CRORE. WHILE THE RAIL LINE ON BALLARI – GUNTAKAL SECTION WILL BE BUILT AT THE COST OF ₹1,264 CRORE

BHAVYA-Rasayan Scheme marks an important step towards strengthening India's chemical and petrochemical ecosystem," Prime Minister Narendra Modi said on X.

In another decision, the Cabinet Committee on Economic Affairs, chaired by Prime Minister Narendra Modi, on Friday approved the construction of a 3rd and 4th rail line on the Ballari – Guntakal section in Karnataka and Andhra Pradesh.

The project covering three districts across Karnataka and Andhra Pradesh will increase the existing Indian Railways network by about 46 km, the government said.

"The proposed multi-tracking project will enhance connectivity to approximately 99 villages, which are having a population of about seven lakhs . The capacity enhancement will improve rail connectivity to several prominent tourist destinations across the country, including Ballari Fort, Sri Kumara Swamy Temple" a statement from the government said.

It also stated that the proposed project is an essential route for transporting commodities such as iron ore, dolomite, limestone, iron and steel, coal, fertilizers, and food grains.

"The capacity augmentation works will result in additional freight traffic of magnitude 16.22 Million Tonnes Per Annum," the statement said.

Lok Sabha clears Bill to deal with exam leaks amid ruckus

ASAD REHMAN & ANONNA DUTT
New Delhi, July 29

WRAPPING UP A two-day debate punctuated by acrimonious exchanges as the Opposition mounted a sharp attack on the government over the police crackdown on student protesters in Delhi, the Lok Sabha on Wednesday passed the stringent Public Examination (Prevention of Unfair Means) Amendment Bill, 2026 by a voice vote amid sloganeering by the Opposition.

While Leader of Opposition Rahul Gandhi's remarks against Union Home Minister Amit Shah over the police crackdown led to stormy

Opposition MPs stage a protest in the Lok Sabha during the Monsoon session of Parliament, in New Delhi on Wednesday.

PM chairs high-level meet with secretaries, focus on Viksit Bharat

ENS Economic Bureau
New Delhi, July 28

PRIME MINISTER Narendra Modi on Tuesday chaired the second high-level meeting with secretaries, with the focus on "accelerating progress towards the goals of Viksit Bharat", the Prime Minister's Office said in a statement.

While reviewing the agenda for ministries and departments dealing with finance and economy, commerce and industry, and technology sectors, the PM said that while significant investments are being made in infrastructure, equal priority has to be given to develop indigenous technologies and highlighted the importance of technological self-reliance and building domestic capabilities in critical sectors.

As per the statement, Modi also said new academic courses should be planned in partnership with industry so that the workforce has the skills required by emerging and future industries.

Sarnath now India's 45th World Heritage site



UNESCO described Sarnath as one of four principal Buddhist pilgrimage sites identified by the Buddha himself. UNESCO

HT Correspondent
letters@hindustantimes.com

VARANASI: Twenty-eight years after entering UNESCO's Tentative List, Sarnath in Uttar Pradesh has made it on the UNESCO World Heritage List.

The site, where Gautama Buddha is believed to have delivered his first sermon after attaining enlightenment, has now become Uttar Pradesh's fourth and India's 45th World Heritage site.

Prime Minister Narendra Modi took to X to hail the designation. "A proud moment for every Indian! Delighted that Sarnath in Uttar Pradesh has been inscribed on the UNESCO World Heritage List," he said.

"This recognition celebrates India's profound civilisational and spiritual heritage. It will also inspire more people across the world to come to Sarnath and connect with the ideals of Lord Buddha," added the PM.

The move was announced during the 48th Session of the World Heritage Committee. UNESCO described the site as one of four principal Buddhist pilgrimage sites identified by the Buddha himself. "...After flourishing as a major Buddhist centre, Sarnath declined in the 12th century CE and fell into obscurity until its rediscovery in the 19th century," its website said.

Union culture minister Gajendra Singh Shekhawat also took to X on a jubilant note. "Sarnath reflects the profound spiritual and philosophical contributions of Indian civilisation to humanity."

State culture minister Jaiveer Singh said the achievement reflected Uttar Pradesh's effort to bring the many strands of its civilisational heritage into national and international focus.

Conservation architect Abha Narain Lambah, who prepared Sarnath's nomination, said it rested upon something larger than the significance of individual monuments. "Sarnath brings together the place of the First Sermon, the beginnings of the Buddhist Sangha, some of the earliest Buddhist architectural forms and a pilgrimage tradition spanning nearly 2,500 years," she said.

Thank you, friends: Modi woos youth again as Insta reel gets 303 million views

NEW DELHI, JULY 24

Prime Minister Narendra Modi on Friday posted his second Instagram reel in 24 hours after his midnight post on anti-paper leak measures garnered over 303 million views, setting a new world record on the social media platform. Modi also

Becomes most viewed on platform in 24 hours

curb paper leaks, Modi said, "Thank you, friends. Yesterday night I got a chance to meet you. Thanks for the response to the video and for

PM's message to key ministries: Be youthful, dynamic and adaptable

TIMES NEWS NETWORK

New Delhi: PM Narendra Modi Tuesday told top officials of key economic ministries that govt must remain youthful and forward looking, a message that came days after he took to Instagram amid Gen Z-led protests against paper leaks.

"...a govt must always remain youthful, dynamic, forward-looking, continuously adapting to

aling with finance, commerce, industry and technology.

He also called for the active participation of young entrepreneurs in key sectors, while asking officials to devise courses in consultation with the industry so that the workforce is equipped with skills required in emerging sectors. While education institutions have been producing a large number of engineers, professionals and

The other strong message was on addressing disinformation. "PM also emphasised the importance of proactive communication on strategic sectors where the country is undertaking major initiatives, to counter misinformation and unfounded fears surrounding such efforts," the statement said.

He also underlined the need to keep citizens at the centre of every policy and decision. "Emphasising that reforms are not merely a fashio-

অটল বিহাৰী বাজপেয়ীৰ মৃত্যুবার্ষিকী

আন্তৰিক শ্রদ্ধাঞ্জলি (১৬ আগষ্ট)

ৰাষ্ট্রীয় নিৰাপত্তা আৰু জনকল্যাণৰ বাবে দৃঢ়তাৰে থিয় দিছিল

সাংস্কৃতিক জাতীয়তাবাদক কর্ম-সংস্কৃতিৰ অংশ কৰি তোলা অটল বিহাৰী বাজপেয়ীয়ে সদায় ৰাষ্ট্রীয় নিৰাপত্তা আৰু জনকল্যাণক সকলোতকৈ ওপৰত স্থান দিছিল। নিজৰ জাতীয়তাবাদী দৃষ্টিভংগী, নিষ্কলংক ভাৰমূর্তি আৰু দেশৰ প্রতি উচর্গিত জীৱনৰ জৰিয়তে তেওঁ ভাৰতীয় ৰাজনীতিত এক মচিব নোৱৰা সাঁচ বহুৱাই থৈ গৈছে। পাৰমাণৰিক পৰীক্ষণ আৰু কার্গিল যুদ্ধৰ জৰিয়তে তেওঁ যিদৰে বিশ্বৰ আগত এখন উদীয়মান ভাৰতৰ শক্তি প্রদর্শন কৰিছিল, ঠিক একেদৰে দেশৰ ভিতৰতো সুশাসনৰ সপোন সাকাৰ কৰিছিল। তেওঁৰ দৃষ্টিভংগী আৰু লক্ষ্যই 'বিকশিত ভাৰত'ৰ সংকল্পত অবিৰতভাৱে শক্তি সঞ্চাৰ কৰি থাকিব...

- অটল জীৰ সংযোগ ব্যৱস্থাৰ দৃষ্টিভংগীয়ে একবিংশ শতিকাৰ ভাৰতক শক্তিশালী কৰি তুলিছিল।
- তেওঁ এখন শক্তিশালী, সমৃদ্ধিশালী আৰু আত্মনির্ভৰশীল ভাৰত গঢ়াৰ বাবে নিজৰ জীৱন উছর্গা কৰিছিল।

"সকলো দেশবাসীৰ হৈ প্রাক্তন প্রধানমন্ত্রী তথা ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী জীৰ মৃত্যুবার্ষিকীত তেখেতলৈ সশ্রদ্ধ শ্রদ্ধাঞ্জলি। দেশৰ সর্বাঙ্গীণ বিকাশৰ প্রতি তেখেতৰ নিষ্ঠা আৰু সেৱাৰ মনোভাৱে এখন বিকশিত আৰু আত্মনির্ভৰশীল ভাৰত গঢ়ি তোলাৰ ক্ষেত্রত অৱদান আগবঢ়াবলৈ সকলোকে অনুপ্রাণিত কৰি আহিছে।"

নৰেন্দ্র মোদী

প্রধানমন্ত্রী

নিউ ইণ্ডিয়া
সমাচাৰ
পখেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১৬-৩১ আগষ্ট, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:4 August, 2026, Pages-42)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003